ফেব্রুৱাৰী 2003 Rs. 10/-

চান্দমামা




চিন্তুৰ পছন্দ
মাইচোৰ চন্দাল উড
বেবি চাবোন চন্দন আৰু
বাদাম তেলেৰে সমৃদ্ধ ।
ছালৰ কাৰণে এই
চাবোন খুব ভাল ।
বুদ্ধিমান শিশুৱে
সদায় মাইচোৰ চন্দল
বেবি চাবোন পছন্দ
কৰে ।
Mysore Sandal
Baby
Soap
Almond oil moisturiser and antiseptic soap.
মহীশূৰৰ চন্দনে
যোৱা ৮০ বছৰৰো
অধিক কাল তোমালোকৰ
ঘৰলৈ চন্দনৰ সুগন্ধ
কঢ়িয়াই লৈ আহিছে ।

PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
HERO
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES

উৰিষ্যাৰ ঐতিহ্য-৩

অতুলনীয় শিল্প- উৰিষ্যাৰ পটচিত্ৰ

Touch Orissa to Feel India

ORISSA
The soul of India

পুৰণি কালৰ কলিঙ্গ অথবা উৎকল ৰাজ্য আৰু বৰ্ত্তমানৰ উৰিষ্যাৰ প্ৰধান দেৱতা-শ্ৰীজগন্নাথ । বহুতো ক্ষেত্ৰতে এই দেৱতাজন অতুলনীয় । এই দেৱতাজনৰ সৈতে একেলগে ৰখা আছে ককায়েক বলভদ্ৰ আৰু সৰু ভনীয়েক সুভদ্ৰাক । এই তিনিজন একেলগে থকাতো যদি অগতানুগতিক, তেনেহলে এই মূৰ্ত্তি কেইটাক যি পূজা কৰা হয় সেই পূজাবোৰো অগতানুগতিক ।

কিছুমান পূজা-পাতাল মতে শ্ৰীজগন্নাথক বহুতো ক্ষেত্ৰত মানৱ বুলি ধৰা হয় । মানুহৰ নিচিনা আনকি তেওঁৰ জ্বৰো হয়। আহাৰ মাহৰ কৃষ্ণ পক্ষত দেৱতাৰ মূৰ্ত্তিবোৰ মানুহৰ চকুৰ পৰা অদৃশ্য কৰি ৰখা হয় । সেই সময়ত তেওঁলোকক স্নান কৰি দিয়া হয়, ফলস্বৰূপে তেওঁলোকৰ জ্বৰ উঠে। আচল কথা হ'ল, স্নান কৰি দিয়াৰ কাৰণে কাঠৰ মূৰ্ত্তিৰ ৰংবোৰ ম্লান হৈ যায় । সেই সময়ত পৰম্পৰাগত শিল্পীবোৰে পৰ্দাৰ ভিতৰত মূৰ্ত্তিবোৰ নতুনকৈ ৰং কৰে।

অতীতত এই শিল্পীসকলে দেৱতাৰ চিত্ৰবোৰ ভালদৰে আঁকিব পাৰিছিল আৰু সেইবোৰ কেনভাচত আঁকিছিল । তাৰ পাছত লাহে লাহে পৌৰাণিক কাহিনীৰ অবলম্বনত অন্য বিষয়ৰ চিত্ৰও আঁকিবলৈ ললে । ইয়াকে পেট্ট বুলি কোৱা হয় । কপাহী কাপোৰৰ ওপৰত চক, তেতেলীৰ গুটিৰ, সাহ আৰু আঠা লগলগাই তাহোন দিয়া হয় । যেতিয়া ই শুকাব তেতিয়া কাপোৰখন টান হৈ উঠিব । তাৰ ওপৰত চিত্ৰ আঁকিলে দেখিবলৈ ধুনীয়া হয় আৰু বেচিদিন টিকে । ইয়াকে কোৱা হয় পটচিত্ৰ ।

এই ধৰণৰ চিত্ৰ অঁকা শিল্পীবোৰৰ গাওঁ পুৰীৰ পৰা বেচি দূৰত নহয় । সেই গাওঁ দুখন হ'ল- ৰঘুৰাজপুৰ আৰু দণ্ডচাহী । এই গাঁৱৰ প্ৰায়বোৰ পৰিয়াল এই শিল্পকলৈয়ে ব্যস্ত।

গোটেই বিশ্বৰ চিত্ৰ প্ৰেমীসকলে এই পটচিত্ৰৰ ভূয়ঁসী প্ৰশংসা কৰে ।

প্ৰশ্ন:

১. উৰিষ্যৰ কোনখন চহৰত শ্ৰীজগন্নাথ মন্দিবটো আছে?

----

২. এই মন্দিৰৰ দেৱতাৰ সৈতে জৰিত জনপ্ৰিয় উৎসৱটো কি ?

----

৩. এই মন্দিৰ নিৰ্মাণ কৰি দিয়া ৰজাজনৰ নাম কি ?

----

১৪ বছৰলৈকে বয়স হোৱা শিশুবোৰেহে মাথোঁ এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পাৰিব । প্ৰশ্নৰ তলত থকা খালী ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা । তলত দিয়া কূপণখন পূৰ্ণ কৰি ২০০৩ চনৰ ২৮ ফেব্ৰুৱাৰীৰ আগতে পোৱাকৈ পঠাবা ।

Orissa Tourism Quiz Contest - 3
Chandamama India Limited,
No.82, Defence Officers' Colony,
Ekkatuthangal, Chennai - 600 097.

Name : .... Age : ....

Address: .... Pin : ....

One winner picked by Orissa Tourism in each contest will be eligible for 3 days, 2-night stay at any of the OTDC Panthanivas, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism employees and their family members. The judges' decision will be final.

Orissa Tourism, Paryatan Bhaven, Bhubaneswar-751 014. Ph:(0674)2432177, Fax:(0674) 2430887, e-mail:ortour@sancharnet.in. Website:Orissa-tourism.com

এই সংখ্যাত আছে

বৰ্ষ : ৩০ ফেব্ৰুৱাৰী২০০৩ সংখ্যা -২

ভাৰতৰ পৌৰাণিক উপাখ্যান ২৬

জগন্নাথৰ আদৰ-সন্মান (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১৩

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ ভাৰতৰ কম পৰিচিত ঠাই...১০★ জীৱৰ প্ৰতি দয়া...১১
★ মায়া সৰোবৰ-১১... ১৩ ★ জগন্নাথৰ আদৰ-সন্মান (বেতাল কাহিনী) ...১৯ ★ ইণ্ডিয়াস্কোপ...২৫ ★ অবিনাশী দৈত্য...২৬
★ বুঢ়ী আইতাৰ কাহিনী...২৯ ★ সংবাদ বিচিত্ৰা...৩৩
★ সহজ গুণ...৩৪ ★ ৰাজস্থানৰ লোককথা... ৩৮
★ ভাৰতৰ বিষয়ে জানি লোৱা...৪৪ ★ গণেশ ... ৪৫
★ উপকাৰী... ৫১ ★ বেপাৰীৰ দায়িত্ব...৫৫
★ জ্ঞান পঠোৱাৰ কাহিনী... ৫৭
★ অজেয় গৰুড়...৬০ ★ খেলিমেলি ধেমালি ...: ৬৪
★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২২৩১৩৬৩৭, ২২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers.
Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

নদীয়ে মানুহৰ মাজত সংযোগ স্থাপন কৰিব

এই বিশাল দেশ ভাৰতবৰ্ষত থকা শ শ নদীবোৰে আমাৰ দৈনন্দিন জীৱনৰ কাৰণে আৱশ্যকীয় পানীৰ অভাৱ পূৰণ কৰি আহিছে । বাৰিষা কালত এই নদীবোৰ বৰষুণৰ পানীৰে উপচি পৰে । দুৰ্ভাগ্যবশতঃ জীৱশ্ৰেষ্ঠ মানুহবোৰে ক্ষতিৰ কথা চিন্তা নকৰি জধে-মধে প্ৰকৃতিক ধ্বংস কৰি আছে যাৰ কাৰণে মানুহে আজি প্ৰকৃতিৰ আশীৰ্বাদৰ পৰা বঞ্চিত হৈছে । নদীবোৰ শুকাই যাব ধৰিছে, পানীৰ স্তৰ দ্ৰুতভাবে নামি গৈছে । স্বাভাৱিকতে আমি আমাৰ কষ্ট নিজেই মাতি আনিছো, আৰু আমাৰ চুবুৰীয়া ৰাজ্য, যাৰ পৰ্যাপ্ত পানী আছে, সেই ৰাজ্যৰ সৈতে বিবাদত লিপ্ত হৈছো ।

আজি বহু বছৰ ধৰি এই সমস্যাৰ সম্মুখীন হৈ অহা চৰকাৰে নদ-নদীৰে পুষ্ট ৰাজ্যবোৰৰ মাজত এক সৌহাৰ্দপূৰ্ণ বাতাবৰণৰ সৃষ্টিকৰি ইয়াৰ এক সমাধান সূত্ৰ উলিয়াবলৈ চেষ্টা কৰিছে । বহুদিন আগতে চিন্তা কৰা এক সম্ভাব্য সমাধান সূত্ৰ হল ইটো নদী সিটো নদীৰ লগত খাল কাটি লগলগাই দি পানীৰ সমবিতৰণ কৰা । অলপতে চৰকাৰে সিদ্ধান্ত কৰিছে যে অহা ১০-১৫ বছৰৰ ভিতৰত দেশৰ ভিতৰৰে ৩০টা প্ৰধান নদীৰ মাজত সংযোগ স্থাপন কৰা হব ।

ভাৰতবৰ্ষৰ মানুহে বিভিন্ন ধৰ্মবিশ্বাস মানি চলে, বিভিন্ন ভাষাত কথা কয় আৰু বিভিন্ন সংস্কৃতি পালন কৰে । এই বৈচিত্ৰ্যৰ মাজতে ঐক্য হ'ল এক ভাৰতীয় পৰম্পৰা । আমাৰ অন্তৰত থকা দেশপ্ৰেমে আমাক সকলোকে একতাৰ দোলেৰে বান্ধি ৰাখিছে । যদি এই নদীবোৰৰ মাজত সংযোগ স্থাপনৰ দ্বাৰা আমাৰ মাজত এক নতুন ঐক্য স্থাপন হয়, আমি সকলোৱে ইয়াক স্বাগতম জনোৱা উচিত । আমাৰ মনৰ মাজত এক সমন্বয় স্থাপন হওঁক, আমি তাৰেই কামনা কৰিলোঁ ।

সম্পাদক : বিশ্বম
Visit us at : http://www.chandamama.org

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ১৭

আমাৰ দেশত বহুতো খেল বিভাগৰ হিৰো আছে । ইয়াতে তাৰে কেইজনমানৰ কথা উল্লেখ কৰা হ'ল। তুমি তেওঁলোক চিনি পোৱানে ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব ।*

1 ২০০২ চনৰ বুচান এচিয়ান গেমচত পুৰুষৰ ব্যক্তিগত গল্ফত মই সোণৰ পদক লাভ কৰিছিলো । তুমি মোৰ নাম জানানে ?

----

2 মই অৰ্জুন পুৰস্কাৰ প্ৰাপ্ত এজন শ্ৰেষ্ঠ শূটাৰ, ২০০২ চনৰ কমনওৱেলথ গেমচত মই এক নতুন অভিলেখ স্থাপন কৰিছিলো। মই কোন বাৰু ?

----

3 অলপতে মই শতিকাটোৰ উইচ্‌ডেন্ ইণ্ডিয়ান ক্ৰিকেটাৰ হিচাবে মনোনিত হৈছো । তুমি মোক জানানে ?

----

4 মই এজন পদ্মশ্ৰী উপাধি প্ৰাপ্ত ব্যক্তি । মই চেন্নাইত এখন টেনিচ কোচিং একাডেমি চলাই আছো । কমেন্টৰী দিয়াৰ উপৰিও মই টি ভি চিৰিয়েল আৰু কথাছবিও কৰো । মোৰ নাম কি ?

----

5 ফৰ্মুলা ৩ কাৰ ৰেলী চেম্পিয়নশ্বিপত অংশ গ্ৰহণ কৰাময়েই প্ৰথম ভাৰতীয় । মোক বিশ্বৰ প্ৰথম বেগবান ভাৰতীয় বুলি কোৱা হয় । তুমি মোৰ নাম জানানে ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা খেলৰ হিৰো কোনজন আৰু কিয় ভাল লাগে । মোৰ ভাল লগা খেলৰ হিৰো হ'ল...এই বিষয়ে ১০টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম...

বয়স......................শ্ৰেণী....................

ঠিকনা...

পিন......................ফোন....................

প্ৰতিযোগীৰ চহী...

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 17
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০৩ চনৰ ৫ মাৰ্চৰ আগতে পোৱাকৈ উত্তৰ পঠাবা ।

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।
২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩.জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।
৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।
৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।
৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

DISCOUNT COUPON

Come into the enchanted world of JUNGLE JINGLES and avail a discount of Rs 50 on a set of five books on the cover price of Rs 200. Or you can get Rs 10 off on each title of Rs 40. Offer open for a limited period only. So hurry! Tick the titles you want.

- ☐ The Itch to Fly and Other Stories
- ☐ The Tiger with the Most Wonderful Tail and Other Stories
- ☐ The Great Escape and Other Stories
- ☐ The Donkey's Downfall and Other Stories
- ☐ The Cunning Pelican and Other Stories

Send your payment by DD or MO to: **Popular Prakashan Pvt. Ltd.,**
35-C M.M Malaviya Marg, Popular Press Building, Tardeo, Mumbai 400034.
For enquiries contact sales@popularprakashan.com Visit our site at www.popularprakashan.com

ভাৰতৰ কম পৰিচিত ঠাই

ভিতৰকণিকা

আপুনি যদি বন্ধৰ দিনকেইটা মানুহৰ হাই-উৰুমিৰ পৰা দূৰত এক নিৰ্জন ঠাইত কটাব খোজে তেনেহলে উৰিষ্যাৰ ভিতৰকণিকালৈ যাব পাৰে । প্ৰকৃতিৰ এক নিৰ্জন আবাস, ভিতৰকণিকাই প্ৰায় ৬০০ বৰ্গ কি.মি. ঠাই আগুৰি আছে। এই অৰণ্য অঞ্চল ভাৰতৰ দ্বিতীয় বৃহৎ মেংগ্ৰোভ । ইয়াত ৬০ প্ৰকাৰতকৈও অধিক জলাহভূমিজাত উদ্ভিদ আছে ।



ভিতৰকণিকা এখন অভয়াৰণ্য আৰু জাতীয় উদ্যান। এই অৰণ্য অঞ্চল বহুতো লুপ্তপ্ৰায় জীৱ-জন্তুৰ আবাস স্থল। ইয়াত ১৭০ বিধতকৈও অধিক আবাসীক আৰু প্ৰব্ৰজনকাৰী চৰাই দেখিবলৈ পোৱা যায় ।

ভিতৰকণিকাৰ তিনিফালে নদী আৰু এফালে সাগৰে আগুৰি আছে । ইয়াৰ মাজেৰে বহুতো সুঁতি আৰু খাল কেঁচিয়াকৈ গৈ বঙ্গোপসাগৰত পৰিছে, যাৰ ফলত বহুতো বদ্বীপৰ সৃষ্টি হৈছে। অঁকাই পকাই যোৱা সুঁতিবোৰে একোটা বদ্বীপতে আকৌ বহুতো দ্বীপৰ সৃষ্টি কৰিছে।

ভিতৰকণিকাক বঙ্গোপসাগৰৰ ক্ৰীড়াভূমি বুলিব পাৰি । জোৱাৰ আহিলেই প্ৰতিবাৰেই জলাহভূমিবোৰ বুৰাই পেলায় । জোৱাৰৰ পানী যেতিয়া কমি যাব তেতিয়া অৰণ্য অঞ্চলত কোমল পলস দেখা যায়, তাৰ লগে লগে কেকোৰা, মাছ, সৰীসৃপ আৰু অন্যান্য সামুদ্ৰিক প্ৰাণীও দেখিবলৈ পোৱা যায় । এই দৃশ্য চাবলৈ অতি মনোৰম ।

ইয়াৰ অন্য এক আকৰ্ষণ হ'ল অলিভ ৰিডলি কাছ । প্ৰতি বছৰে দুবাৰকৈ এই কাছবোৰে কণী পাৰিবলৈ ইয়ালৈ উঠি আহে । ভিতৰকণিকালৈ কেৱল জলপথেৰেহে যাব পাৰি আৰু ইয়াত প্ৰৱেশ কৰিবলৈ অনুমতি লব লাগে । ভাড়াৰ কাৰণে মটৰ চালিত নাও পোৱা যায় ।

তালৈ কেনেকৈ যাব:

ভিতৰকণিকালৈ চান্দবালিৰ পৰা যাব পাৰি (ভুবনেশ্বৰৰ পৰা ১৯০ কি.মি. দূৰত্ব) অথবা ৰাজনগৰৰ পৰা (কেন্দ্ৰপাৰাৰ পৰা ৩০ কি.মি.) বা গুপ্তিৰ পৰাও (ৰাজনগৰৰ পৰা ২৫ কি.মি. দূৰত্ব) যাব পাৰি ।

জীৱৰ প্ৰতি দয়া

গঙ্গা নদীৰ পাৰত ৰামনগৰ নামৰ এখন গাওঁ আছিল । সেই গাঁৱত ধবন নামৰ এজন মানুহে বাস কৰিছিল । তেওঁৰ এখন ঘোঁৰাগাড়ী আছিল আৰু সেইখনৰ উপাৰ্জনেৰেই সংসাৰ চলাইছিল । সেই গাঁৱত অকল তেওঁৰেই ঘোঁৰাগাড়ী আছিল । সেয়েহে তেওঁৰ মনত এটা অহংকাৰ ভাব আছিল যে গাঁৱৰ কোনোবা লোক কৰবালৈ গলে তেওঁৰ গাড়ীৰ সহায় লবই লাগিব । সেই বাবে গাওঁবুঢ়াৰ নিচিনা সন্মানিত মানুহকো তেওঁ খাতিৰ নকৰিছিল । গাঁৱত আৰু অন্য ঘোঁৰাগাড়ী নথকাৰ কাৰণে মানুহে উপাই নাপাই ধবনকে মাতিছিল ।

গাঁৱৰ অলপ দূৰেৰে এটা নদী বৈ গৈছে । চৰকাৰে তাত এটা বান্ধ তৈয়াৰ কৰি খেতি পথাৰলৈ পানী যোগানৰ ব্যৱস্থা কৰিলে । ইয়াৰ দ্বাৰা সেই অঞ্চলৰ অসাৰুৱা মাটিবোৰো খেতিৰ উপযোগী হৈ উঠিল । অন্য ঠাইৰ পৰা মানুহ আহি তাত বসতি কৰিবলৈ ললে । মানুহৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে নিত্য নতুন বস্তুবো প্ৰয়োজন বাঢ়িবলৈ ধৰিলে । সেয়েহে গাঁৱত আৰু চাৰিখন ঘোঁৰাগাড়ী বাঢ়িল ।

ঘোঁৰাগাড়ী বঢ়াৰ লগে লগে অহংকাৰী ধবনৰ উপাৰ্জন কম হবলৈ ধৰিলে । মানুহে আনৰ ঘোঁৰাগাড়ীত যোৱা দেখি ধবনৰ মনত দুখ লাগিল । উপাৰ্জন কমি অহা কাৰণে মাজে সময়ে তেওঁ লঘোনেও থাকিব লগা হৈছিল ।

ধবনৰ মনত শান্তি নোহোৱা হ'ল । এদিন তেওঁ নদীৰ পাৰত থকা শিৱ মন্দিৰলৈ গ'ল । সেই সময়ত মন্দিৰৰ পূজাৰীয়ে ভক্তসকলৰ উদ্দেশ্যে কৈ আছিল--"সকলো লোকৰে জীৱ-জন্তুৰ প্ৰতি কৰুণা ভাব থকা উচিত । সকলোৰে সৈতে সদব্যৱহাৰ কথা উচিত । যি কামেই কৰা হয় শ্ৰদ্ধাপূৰ্বক কৰিব লাগে । পৰিশ্ৰম কৰিব লাগে । এনে কৰিলে যিকোনো লোকেই নিজৰ কামত সফলতা লাভ কৰিব পাৰিব ।"

পূজাৰীৰ কথাবোৰ ধবনে অতি মনোযোগেৰে শুনিবলৈ ধৰিলে । পূজাৰীৰ কথাবোৰ তেওঁৰ মনত লাগিল । তেওঁ গৈ আন সকলৰ মাজলৈ পূজাৰীৰ কথা শুনিবলৈ ধৰিলে ।

সাই কুমাৰ

পূজাৰীয়ে কৈ আছিল--"যিসকল লোক মন্দিৰলৈ আহে তেওঁলোকে মন্দিৰ দৰ্শন কৰাৰ পিছত গুড়ৰ এই সৰু সৰু টুকুৰাবোৰ পোক-পৰুৱাক খুউৱা উচিত । ইয়াৰ দ্বাৰা পূণ্যও হব আৰু জীৱ জন্তুৰ জীৱনো ৰক্ষা পৰিব ।

আহাৰ খোৱাৰ আগতে আমাৰ খাদ্যৰ সৰু এটা অংশ বাহিৰত থৈ দিব লাগে, যাতে কাউৰী আদি চৰায়ে সেইখিনি খাই ভোক দূৰ কৰিব পাৰে । এনে দয়ালু লোকৰ ফল ভাল হয় । আমি যদি অন্য জীৱ-জন্তু, পশু-পক্ষী, পোক-পৰুৱাক খাবলৈ দিও সিহঁতেওঁ আমাক ভাল আশীৰ্বাদ দিয়ে । সেয়েহে সকলো মানুহে অন্য প্ৰাণীৰ প্ৰতি দয়াবান হোৱা উচিত ।"

পূজাৰীয়ে কোৱা গুড়ৰ কথা ধবনৰ মনত লাগিল । তেওঁ ওচৰতে থকা দোকান এখনলৈ গৈ পঞ্চাশ পইচাৰ গুড় কিনি আনি শিৱ মন্দিৰৰ খটখটিৰ ওপৰত ৰাখিলে ।

এনেতে পিছফালৰ পৰা কাৰোবাৰ মাত শুনিবলৈ পালে, "ধবন, অলপ ৰবা ।"

পিছফালে ঘূৰি চাই দেখে, তেওঁক মতা মানুহজন তেওঁলোকৰ গাঁৱৰ গাওঁবুঢ়া, শিৱশঙ্কৰ । তেওঁ ধবনক কলে, "ভালেই হ'ল, তোমাক ঠিক সময়তে লগ পালো । মোৰ সৰু ল'ৰাটোক আমাৰ গাঁৱৰ ওচৰৰে শিৱপুৰত থক হাইস্কুলত নাম লগাই দিছো । তুমি সদায় তাক স্কুললৈ তোমাৰ গাড়ীৰে লৈ যাব লাগিব আৰু আনিব লাগিব । ইয়াৰ কাৰণে তোমাক মাহে দুশকৈ টকা দিম । বহুদিন ধৰি তুমি আমাৰ গাঁৱত ঘোঁৰাগাড়ী চলাই আহিছা । সেয়েহে তোমাকে কলো । তুমি কামটো কৰিব পাৰিবানে ?"

গাওঁবুঢ়াৰ কথা শুনি ধবন আচৰিত হ'ল, লগতে খুব আনন্দিতও হ'ল । তেওঁ ভবাই নাছিল যে এনে সুযোগো আহিব পাৰে । গুড়ৰ এটা টুকুৰা দিয়াৰ বিনিময়ত ইমান ভাল ফল পাব পাৰে সেইটো তেওঁ কল্পনা কৰাই নাছিল । তেওঁৰ সকলো অহংকাৰ দূৰ হ'ল আৰু বিনীতভাবে গাওঁবুঢ়াক কলে, "নিশ্চয় পাৰিম, মহাশয় ।"

সিদিনাৰ পৰা ধবনে পোক-পৰুৱা আৰু কাউৰীকেই নহয় ভোকাতুৰ কুকুৰকো খুৱাবলৈ ধৰিলে । গাওঁবাসীয়ে ধবনৰ এই পৰিবৰ্তন দেখি আচৰিত হ'ল । তেওঁলোকে বুজিব পাৰিলে যে এতিয়াৰ ধবন সেই আগৰ অহংকাৰী ধবন নহয় । সেয়েহে গাঁৱৰ কাৰোবাৰ ঘৰত কিবা শুভ কাম হলে ধবনকো নিমন্ত্ৰণ জনাবলৈ ধৰিলে । ধবনে সকলোৰে লগত সদ্ভাব ৰাখি চলিবলৈ ললে।



মায়া সৰোবৰ

11

(জয়শীলে অনুমান কৰিলে মায়া সৰোবৰলৈ যাবলৈ হলে সৰ্পনখৰ সহায়ৰ আৱশ্যক হব। সৰ্পনখে ভায়েকৰ বিষয়ে জানিবলৈ অতি ব্যগ্ৰ হৈ আছিল। নৰবানৰৰ গৰাকী কৃপাণজিতক দেখাৰ লগে লগে সৰ্পনখে জলঅশ্বত উঠি তেওঁৰ পিছ ললে। পলাই সাৰিব খোজা কৃপাণজিতক মৃত্যুবৃক্ষৰ ডালএটাই টানি লৈ গ'ল।) ইয়াৰ পাছত--

মৃত্যুবৃক্ষৰ ডালটোৱে যেতিয়া কৃপাণজিতক ওপৰলৈ উঠাই লৈ গ'ল তেনেতে সেই ডালটোৰে ওচৰৰ আন দুটা ডালে কৃপাণজিতৰ কান্ধ আৰু হাতত মেৰিয়াই ধৰি টানি লৈ গ'ল। কৃপাণজিতে সেই ডালবোৰৰ পৰা নিজকে ৰক্ষা কৰিবলৈ বহুত চেষ্টা কৰিলে। কিন্তু অশেষ চেষ্টাৰ পিছতো নিজক মুক্ত কৰিব নোৱাৰি "বচোৱা, বচোৱা" বুলি চিঞৰিবলৈ ধৰিলে।

বাণ্ডনাবোৰে তাৰ আৰ্তনাদ শুনিবলৈ পাইছিল, কিন্তু তাক ৰক্ষা কৰিবলৈ কোনেও আগবাঢ়ি যোৱা নাছিল। সিহঁতেও মৃত্যুবৃক্ষৰ ওচৰলৈ যাবলৈ ভয় কৰিছিল। কিন্তু জলঅশ্বটোক সিহঁতে ধৰিছিল, যাতে পলাই যাব নোৱাৰে।

জয়শীল আৰু সিদ্ধসাধক অলপ দূৰৰ টিলা এটাৰ ওপৰত থিয় হৈ আছিল। তেওঁলোকে তৎক্ষণাত তললৈ নামি আহি মৃত্যুবৃক্ষৰ ওচৰলৈ দৌৰি গ'ল। তেওঁলোকে মৃত্যুবৃক্ষৰ ওচৰ পোৱাৰ আগতে সৰ্পনখে

জয়শীলে তেতিয়া তৰোৱালেৰে সৰ্পনখৰ ডিঙিত মেৰিয়াই ধৰা ডালটো কাটি দিলে। মাটিত পৰিবলৈ ধৰা সৰ্পনখক সিদ্ধসাধকে সাবতি ধৰি কলে, "ঐ পানীৰ পক্ষী, তোমাৰ কম দুঃসাহস নহয় । এতিয়াই তোমাক হেৰুৱাব খুজিছিলো । তেতিয়াহলে মায়া সৰোবৰৰ ঠিকনা জনা মানুহ আৰু কোনো নোলাব ।"

সৰ্পনখে নিজকে অলপ সংযত কৰি লৈ মৃদুস্বৰে কলে, "মই জানো, মায়া সৰোবৰেশ্বৰে মোক নিশ্চয় ৰক্ষা কৰিব । তেওঁ নিজৰ সেৱকক কেতিয়াও মৰিবলৈ নিদিয়ে ।"

এই কথাত অসন্তুষ্ট হৈ সিদ্ধসাধকে কলে-"মূৰ্খ কৰবাৰ । এতিয়া তোমাক তোমাৰ ভগবানেহে ৰক্ষা কৰিলে ?"

"তেওঁ নিজে ইয়ালৈ অহা নাই, কিন্তু তোমালোক দুয়োৰে ওপৰত ভগবান প্ৰৱিষ্ট হৈ তোমালোকৰ হতুৱাই মোক ৰক্ষা কৰাইছে।" এইবুলি কৈ সৰ্পনখে মৃত্যুবৃক্ষৰ ফালে এবাৰ মূৰ দাঙি চালে । তেওঁ গছৰ ডালত ওলমি থকা কৃপাণজিতক দেখি কলে, "অনুমান হৈছে তাৰ মৃত্যু নিশ্চিত । সিয়েই একমাত্ৰ ব্যক্তি যিয়ে মোৰ ভাই সৰ্পচখৰ বিষয়ে জানে । তাক বচোৱা উচিত ।" এইবুলি কৈ সৰ্পনখ গছডালৰ ফালে দৌৰি গ'ল ।

জলঅশ্বত উঠি সেই ঠাইত উপস্থিত হৈ কবলৈ ধৰিলে, "সিয়েই একমাত্ৰ মানুহ যিয়ে মোৰ ভাইটোৰ বিষয়ে কব পাৰে । সি মৃত্যুৰ মুখলৈ আগবাঢ়ি গৈছে । তাক বচোৱা উচিত।" এইবুলি কৈ সৰ্পনখে তৰোৱালেৰে গছৰ ডাল এটা কাটি দিলে ।

তেতিয়া গোটেই মৃত্যুবৃক্ষডালেই জোকাৰ খাই উঠিল । তাৰ অলপ পাছতে এটা মৃদু কেঁকনি শুনা গ'ল । পিছমুহূৰ্ত্তে আঙুঠিৰ নিচিনা এটা গছৰ ডালে সাপৰ দৰে তললৈ নামি আহি সৰ্পনখৰ ডিঙিত মেৰিয়াই ধৰিলে। তেতিয়া সৰ্পনখে ভয়তে চিঞৰি উঠিল-"হে মায়া, সৰোবৰেশ্বৰ, মোক ৰক্ষা কৰা, মোক ৰক্ষা কৰা ।" জলঅশ্বটোৱেও ভয়তে দৌৰি পলাই গ'ল ।

জয়শীল আৰু সিদ্ধসাধক দৌৰি আহি সেই ঠাঁই পালে । সিদ্ধসাধকে সৰ্পনখৰ দুয়োখন ভৰিত ধৰি টানিবলৈ ধৰিলে ।

তেতিয়া জয়শীলে তাৰ কান্ধত ধৰি ৰখাই দিলে । তাৰ পাছত তাত থিয় হৈ থকা বাওনাসকলক কলে, "তোমালোকৰ সেনাপতি ক'ত ? ইয়াৰ মানসিক অৱস্থা ভাল নহয় যেন পাইছো । ইয়াক লৈ গৈ নদীত ডুবাই দি পাৰত শুকাবলৈ দিবা ।"

বাত্তনাসকলে সৰ্পনখক ধৰি লৈ গ'ল । তেতিয়া সৰ্পনখে চিঞৰি চিঞৰি কলে, "মই পাগল হোৱা নাই । মই ঠিকেই আছো । মই সকলো জানো । তেওঁলোক বাওনা মানুহ, আপোনালোক দুয়ো হ'ল, জয়শীল আৰু সিদ্ধসাধক । এইটো মাছ আৰু ঘঁৰিয়াল থকা নদী ।"

"ঐ পানীৰ পক্ষী, এতিয়া মনে মনে থাকা। তোমাক ঘঁৰিয়ালৰ আহাৰ কৰা হব।" এইবুলি কৈ বাওনাসকলে সৰ্পনখক পানীৰ ফালে টানি লৈ গ'ল । ঠিক সেই সময়তে বাওনাৰ ৰাণী ৰথত উঠি আহি তাত উপস্থিত হ'ল ।

গড়েকোণ্ডা আৰু তেওঁৰ অনুচৰবোৰে হাতযোৰ কৰি তেওঁৰ পিছফালে আহি থিয় হ'ল । ৰাণীক দেখি জয়শীলে কলে, "কৃপাণজিতক মৃত্যুবৃক্ষই খাই পেলাইছে । সি নিজৰ স্বাৰ্থৰ কাৰণে তোমালোকৰ জাতিৰ মাজত বিভেদ সৃষ্টি কৰিব বিচাৰিছিল। এতিয়া আপোনালোকে আৰামেৰে জীৱন কটাব পাৰিব । আমিও আমাৰ কাম সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে গুচি যাম। কিন্তু যোৱাৰ আগতে এই মৃত্যুবৃক্ষডাল জ্বলাই থৈ যাম । নহলে ই আৰো বহু জীৱৰ প্ৰাণ নাশ কৰিব ।"

"হয়, তাকেই কৰক । আপুনি আমাক যি সহায় কৰিলে তাৰ বাবে আমি আপোনাৰ ওচৰত কৃতজ্ঞ । নৰবানৰৰ মালিকৰ মৃত্যু হ'ল যদিও, নৰবানৰ এই জঙ্ঘলতে কৰবাত ঘূৰি আছে । আমি সাৱধানে থাকিব লাগিব। নহলে কেতিয়াবা আমাকেই আক্ৰমণ কৰিব।" ৰাণীয়ে জয়শীলক উদ্দেশ্য কৰি কলে ।

জলঅশ্বত উঠি অহা সৰ্পনখক আমি পালো । তাৰ ভায়েকক নৰবানৰে দাঙি লৈ গৈছে । মায়া সৰোবৰলৈ যাবলৈ আমাক সৰ্পনখৰ প্ৰয়োজন হব । তাৰ ভায়েকক আমি বিচাৰি যাম । সেই সময়ত যদি আমি নৰবানৰক লগ পাওঁ তেনেহলে তাক বধ কৰিম ।" জয়শীলে ৰাণীক আশ্বাস দি কলে।

"মই তাক মাৰিবলৈ নিদিও । তাক পোহনীয়া কৰি লৈ তাৰ ওপৰত উঠি ফুৰিম। এতিয়া কোৱা জুই ক'ত আছে ? এই বৃক্ষ পুৰি ছাই কৰিব লাগিব ।" এইবুলি কৈ সিদ্ধসাধকে ইফলে সিফালে চালে ।

চাৰি-পাঁচজনমান বাত্তনাই জ্বলি থকা জোঁৰ লৈ আহিল । সিদ্ধসাধকে এডাল জোঁৰ হাতত লৈ কলে, "এই মানুহ খোৱা বৃক্ষৰ নিশ্চয় মাংস আৰু চৰ্বি আছে । এই জোঁৰ এতিয়া বৃক্ষৰ ওপৰত দলিয়াই দিম ; দেখা যাওক কি হয় ।" এইবুলি কৈ তেওঁ

জোঁৰডাল দলিয়াব খোজোতেই কোনোবাই চিঞৰি উঠিল, "পাপীষ্ঠ, এই মৃত্যুবৃক্ষক জ্বলাব নোৱাৰিবা । এইটো অসম্ভব ।"

জয়শীল আৰু সিদ্ধসাধকে সেইফালে ঘূৰি চালে । তাত এজন বাওনা মানুহ থিয় হৈ আছিল, কিন্তু বাকী বাওনাবোৰতকৈ সি অলপ ওখ । তাৰ গলত এডাল শামুকৰ মালা আৰু কান্ধত এখন কুঠাৰ আছিল । সি জঁপিয়া জঁপিয়াই জয়শীল আৰু সিদ্ধসাধকৰ ওচৰলৈ আহিল ।

সিদ্ধসাধকে শূলপাতেৰে তাক স্পৰ্শ কৰি তাক সুধিলে, "কোন তুমি ? মোৰ নিচিনা এজন মহাকালীৰ ভক্তক পাপী বুলি কৈছা । ইমান সাহস ?

বাওনাটোৱে নিৰ্ভীকভাৱে কলে, "মই চিৰঞ্জীৱ মৃত্যু বৃক্ষৰ পূজাৰী । প্ৰথমতে যেতিয়া মৃত্যুবৃক্ষক তৰোৱালেৰে আঘাত কৰিছিল, তেতিয়া বৃক্ষজোপাই কেঁকাই উঠিছিল । সেই কেঁকনি শুনিবলৈ পাইছিল নে ?"

জয়শীলে তাক সুধিলে, "বৃক্ষৰ পিছফালে লুকাই থাকি তুমিয়েই কেঁকাইছিলা । নহয় নে? সঁচা কথা কবা ।" এইবুলি কৈ জয়শীলে তাৰ গলধনত থাপ মাৰি ধৰিলে ।

পূজাৰীয়ে কোনো হেতকেত নকৰাকৈয়ে কলে, "হয় ময়েই তেনে কৰিছিলো । পিছে তেনে কৰিবলৈ মোক আদেশ দিছিল মৃত্যুবৃক্ষৰ ওপৰত ভৰ কৰি থকা মৃত্যুদেৱীয়ে, মই তেওঁৰ পূজাৰী, তেওঁৰ সেৱক ।"

জয়শীলে সাধকৰ ফালে এবাৰ চালে, তাৰ দ্বাৰা তেওঁ ইয়াক জানিব বিচাৰিছে এতিয়া ইয়াক কি কৰা যায় । সাধকে পূজাৰীৰ কান্ধৰ পৰা কুঠাৰখন টানমাৰি আনি কলে, "হে ধূৰ্ত পূজাৰী, আজিৰ পৰা আৰু মৃত্যুবৃক্ষ নাথাকিব । ইয়াক আমি পুৰি পেলাম । আজিৰ পৰা তোমাৰ পূজা কৰা কাম নাথাকিব । এতিয়া তুমি এই কুঠাৰেৰে কাঠ কাটি বিক্ৰী কৰি তাৰেই জীৱন কটাব লাগিব । নীৰিহ মানুহৰ প্ৰাণ লোৱা মৃত্যুবৃক্ষ পুৰি ছাই হৈ যাব ।" এইবুলি কৈ জ্বলিথকা জোঁৰডাল বৃক্ষৰ ওপৰত দলিয়াই দিব খোজোতেই পূজাৰীয়ে তেওঁৰ হাতখনত টানি ধৰিলে ।

"হে দুষ্ট, মহাকালীৰ ইমান ডাঙৰ ভক্তক তুমি চুবলৈ সাহস কৰিছা ! এৰি দিয়া মোৰ হাত !" এইবুলি কৈ সাধকে হাতখন একৱাই আনিলে ।

বাওনা পূজাৰীয়ে কান্দি কান্দি কলে, "মোৰ কথা বিশ্বাস কৰক । এই মৃত্যুবৃক্ষই দুষ্ট আৰু বদমাচকহে খায় । ধাৰ্মীকসকলৰ কোনো অন্যায় নকৰে ।"

তেতিয়া জয়শীলে পূজাৰীক থাপমাৰি ধৰি খংভাবে কলে, “তেনেহলে তুমি অধৰ্মী নহয় ? তুমি কেতিয়াও পাপ কৰা নাই ? মানুহক ঠগোৱা নাই ?”

“ইয়াত আপোনাৰ সন্দেহ আছে নেকি?” পূজাৰীয়ে সুধিলে ।

পূজাৰীয়ে এইবুলি কোৱাৰ লগে লগে জয়শীলে তাক ওপৰলৈ দাঙি লৈ মৃত্যুবৃক্ষৰ ওপৰত দলিয়াই দিব খুজিছিল, তেতিয়া পূজাৰীয়ে আটাহপাৰি কলে, “মহাশয় মোক এৰি দিয়ক । মোক নামাৰিব । মোক দয়া কৰক ।”

জয়শীলে হাঁহি মাৰি মাটিৰ ওপৰত তাক থিয় কৰাই দি সাধকক কলে, “এতিয়া আৰু এনেয়ে সময় কটোৱা উচিত নহয় । মৃত্যুবৃক্ষক জ্বলাই দিয়া ।

সিদ্ধসাধকে জ্বলি থকা জোঁৰটো গছৰ ওপৰত দলিয়াই দিয়াৰ অলপ পিছতে মৃত্যুবৃক্ষ পুৰি ছাই হৈ গ'ল ।

জয়শীলে পুৰি যোৱা কৃপাণজিতৰ শটোৰ ফালে দেখুৱাই কলে, “সি অমৰাৱতী নগৰৰ ৰজাৰ অশ্বদলৰ চৰ্দাৰ আছিল । এবাৰ জুৱাখেলৰ সময়ত তাৰ সৈতে মোৰ দেখাদেখি হৈছিল । কথাই কথাই তাৰ লগত মোৰ কাজিয়া লাগিছিল । সেই কাজিয়াৰ কাৰণেই মই জঙ্ঘলত থাকিব লগা হয় । দুষ্টৰ কেতিয়াও ভাল মৰণ নহয় । দ্যুতগৃহত দেৱশৰ্মা নামৰ এজন মোৰ মিত্ৰ আছিল । নাজানো, এতিয়া তেওঁ কলৈ গৈছে । কৰবাত ঘূৰি-ফুৰি আছে চাগৈ ।”

আমি মায়া সৰোবৰলৈ গৈ হিৰণ্যপুৰৰ ৰজাৰ পুত্ৰ কন্যাক উদ্ধাৰ কৰিব আছে । এই কামততো সময় লাগিব । ইয়াৰ মাজতে তোমাৰ বন্ধুৰ সৈতেও দেখা হৈ যাব পাৰে।” সিদ্ধসাধকে কলে ।

“সাধক, তুমি ঠিকেই কৈছা । তেওঁক লগ পাম বুলি মোৰ মনেও কৈছে । সৰ্পনখ ক'ত আছে ?” জয়শীলে ইফালে সিফালে ঘূৰি চাই সুধিলে ।

সৰ্পনখে জলঅশ্বৰ ওপৰত উঠি দূৰৰ পাহাৰৰ ফালে চাই কিবা চিন্তা কৰি আছিল। জয়শীলে আনটো জলঅশ্বৰ ফালে দেখুৱাই সাধকক কলে, “আমি সেই জলঅশ্বটোক কিয় এনেয়ে ৰাখো । আমাৰ দুয়োৰে ভিতৰত কোনোবা এজনে তাক ব্যৱহাৰ কৰা উচিত।

“জয়শীল, সেই জলঅশ্বত তুমিয়েই উঠা। মই খোজকাঢ়ি তোমাৰ পিছে পিছে যাম । যদি নৰবানৰক লগ পাওঁ মই তাৰ ওপৰতে উঠি ফুৰিম ।” সাধকে কলে ।

জয়শীলে কলে, “মই জানো, এনে

কৰিবলৈ তুমি সংকোচ নকৰিবা । ঠিক আছে, যাৰ যি ইচ্ছা তাকে কৰা, এতিয়া আমি ইয়াৰ পৰা যোৱাই উচিত হব, নহয় নে ?” তাৰ পাছত বাওনাৰ বাণীৰ ফালে চাই কলে, “তোমালোকৰ ঘোৰ শত্ৰু কৃপাণজিত আৰু নাই । তোমালোকৰ এতিয়া ভয়ৰ কোনো কাৰণ নাই । সুখে শান্তিৰে জীৱন কটোৱা । বাৰু, এতিয়া আমি আহোহে ।”

জয়শীল জলঅশ্বত উঠি গ'ল আৰু পিছে পিছে সিদ্ধসাধক খোজকাঢ়ি গ'ল । সকলো বাওনাই একেলগে জয়ধ্বনি দি উঠিল । তেওঁলোকৰ জয়ধ্বনি শুনি সৰ্পনখে জয়শীল আৰু সাধকৰ ফালে ঘূৰি চালে । তাৰ পাছত চিঞৰি চিঞৰি কলে, “অলপ ৰবা, মোৰ ভাইটোক বিচাৰিব আছেই । ময়ো তোমালোকৰ লগতে যাম ।” এইবুলি কৈ ঘোঁৰাটো বেগাই যাবলৈ দি তেওঁলোকৰ ওচৰ পালে ।

জয়শীলে সৰ্পনখৰ ফালে ভালদৰে এবাৰ চাই লৈ কলে, “নদীত স্নান কৰি এতিয়াহে ঠিক হৈছা যেন পাইছো । এতিয়া নিজৰ ৰাস্তা ধৰা । যলৈকে যাবলৈ আছে, যোৱা । আমি মায়া সৰোবৰ বিচাৰি উলিয়াব লাগিব । তাত গৈ উপস্থিত হৈ তাৰ গৰাকীক টুকুৰা-টুকুৰিকৈ কাটি জীৱজন্তুবোৰক খাবলৈ দিম।”

এই কথা শুনি সৰ্পনখৰ মুখখন শুকাই যোৱা যেন হ'ল আৰু তেওঁ মৌন হৈ থাকিল। তাৰ পাছত তেওঁলোক তিনিওজনে আধা ঘন্টাৰ ভিতৰতে অৰণ্য প্ৰান্তত গৈ উপস্থিত হ'ল। প্ৰথমতে জয়শীল আৰু সিদ্ধসাধকে যিটো জলপ্ৰপাতেৰে আহি পৰিছিল সেই ঠাই গৈ পালে ।

জয়শীলে কিবা কব খুজিছিল, এনেতে সৰ্পনখে দূৰত থকা পাহাৰী গুহাবোৰৰ ফালে হাত দেখুৱাই কলে, “সেই গুহাবোৰৰ বাহিৰত কিবা এটা ডাঙৰ প্ৰাণী যে দেখা গৈছে সেইটো নৰবানৰ নহয় নে ?”

“হয়, হয় । সেইটো নৰবানৰেই ।” জয়শীলে তেওঁৰ সন্দেহ দূৰ কৰি মন্তব্য কৰিলে। অলপ পিছতে নৰবানৰে এটা ডাঙৰকৈ চিঞৰ মাৰি আগবাঢ়ি আহিল । মকৰকেতুৱে উঠি যোৱা হাতীটোৱেও গুহাৰ পৰা বাহিৰলৈ আহি নৰবানৰক শূৰেৰে মেৰিয়াই ধৰিলে । (আগলৈ)

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

জগন্নাথৰ আদৰ-সন্মান

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল। গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ শ্মশানৰ ফালে যাবলৈ ধৰিলে। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে-"ৰাজন, বাৰে বাৰে মই বুজুৱা স্বত্বেও তুমি কষ্ট কৰিবলৈ এৰা নাই। মই যি কৈছো তোমাৰ ভালৰ কাৰণেই কৈছো। মই তোমাৰ এজন হিতকাঙ্ক্ষী। তুমি যিমান কষ্ট কৰিছা তাকে দেখি অনুমান হয় তুমি কোনো মহান লক্ষ্য সাধনত লাগি আছা। কিন্তু ইয়াক পূৰণ কৰিবলৈ যি চিন্তা-চৰ্চাৰ আৱশ্যক, তাৰ তোমাৰ অভাৱ। ডাঙৰ মানুহবোৰে ভাবে যে তেওঁলোকে সকলোৰে লগত ভাল

ব্যৱহাৰ কৰে আৰু ঠিক সিদ্ধান্ত লয় । দুখৰ কথা এই যে তেওঁলোকৰ ব্যৱহাৰশৈলী অবিবেচনাৰে পৰিপূৰ্ণ । উদাহৰণ স্বৰূপে মই তোমাক মাধৱ শৰ্মাৰ কাহিনী কম, যাক মহাকবি আৰু বিজ্ঞ বুলি জনা যায় । পথৰ ভাগৰ দূৰ কৰিবলৈ তুমি কাহিনী শুনি গৈ থাকা ।" এইবুলি বেতালে কাহিনী আৰম্ভ কৰিলে ।

বহুদিন আগৰ কথা । ৰামপুৰ গাঁৱত জগন্নাথ নামৰ এজন অৱস্থাপন্ন মানুহ আছিল । তেওঁ সকলোকে মৰম কৰিছিল । পৰিচিতই হওক বা অপিৰিচিতই হওক তেওঁ সকলোৰে লগত সমান ব্যৱহাৰ কৰিছিল । যি কোনো সম্মানিত ব্যক্তি ৰামপুৰালৈ আহিলে তেওঁৰ ঘৰত এবাৰ সোমায়েই ।

জগন্নাথৰ খ্যাতি প্ৰসাৰৰ গুৰিতে সেই গাঁৱৰে নিবাসী ৰামচন্দ্ৰও এজন । জগন্নাথ আৰু ৰামচন্দ্ৰ সৰুকালৰে বন্ধু হলেও তেওঁলোকৰ স্বভাৱ বেলেগ বেলেগ । জগন্নাথ যেনে অমায়িক ৰামচন্দ্ৰ তেনে দাম্ভিক । ৰামচন্দ্ৰৰ কথাত কৰ্কশতা আছে । তথাপি আত্মীয়-স্বজন গাঁৱলৈ আহিলে তেওঁক দেখা নকৰাকৈ নগৈছিল । কাৰণ তেওঁ ধনী আছিল ।

ৰামচন্দ্ৰৰ মতে পইচাই হ'ল পৰমাত্মা । ধনতকৈ ডাঙৰ এই জগতত একো নাই । এই বিষয় লৈ গাঁৱৰ মানুহে তেওঁৰ সৈতে জগন্নাৰ তুলনা কৰি জগন্নাক প্ৰশংসা কৰে ।

এবাৰ মহাকবি মাধৱ শৰ্মা সেই গাঁৱলৈ আহে । মাধৱ শৰ্মা, জগন্নাথ আৰু ৰামচন্দ্ৰই একেজন গুৰুৰ ওচৰতে শিক্ষা লাভ কৰিছিল । মাধৱ শৰ্মা পঢ়াত খুব ভাল আছিল। গুৰুৱে দিয়া কিবা পাঠ নাজানিলে জগন্নাথ আৰু ৰামচন্দ্ৰই মাধৱ শৰ্মাৰ সহায় লব লগা হৈছিল । তেতিয়াহে তেওঁলোকে পাঠৰ অৰ্থ বুজিব পাৰিছিল ।

জগন্নাথে এবাৰ মাধৱ শৰ্মাক কৈছিল, "তুমি কোৱাৰ পিছতহে আমি ভালদৰে পাঠবোৰৰ অৰ্থ বুজি পাওঁ । তুমিতো গুৰুতকৈ অধিক বুদ্ধিমান ।"

"গুৰুৱে বুজাই দিয়াৰ আগতে মইও পাঠটো বুজি পোৱা নাছিলো । বুজাই দিয়াৰ পাছতহে বুজি পাইছো । আমাৰ গুৰুদেৱ খুব জ্ঞানী । তোমালোকেও পাঠবোৰ মন দি শুনিবা ।" মাধৱ শৰ্মাই জগন্নাথক কলে ।

সেইদিনাৰ পৰা তেওঁলোকে মন দি পাঠবোৰ শুনে, কিন্তু মাধৱ শৰ্মাই বুজাই দিলেহে তেওঁলোকে অৰ্থ বুজি পায় ।

মাধৱ শৰ্মাই এই কথাটো এদিন গুৰুৰ আগতো কলে । তেতিয়া তেওঁ হাঁহি মাৰি কলে, "গুৰুৰ পৰা পাঠ শিকিবলৈ একাগ্ৰতাৰ আৱশ্যক । এই একাগ্ৰতা তোমাৰ আছে,

তেওঁলোকৰ নাই। যিয়ে মনোযোগেৰে গুৰুৰ পৰা শিক্ষা গ্ৰহণ কৰে তেওঁহে জীৱনত সফল হয়। বন্ধুৰ পৰা শিকাতো তৎকালিক, সেয়া শাশ্বত নহয়। সেয়েহে তেওঁলোকক কবা, একাগ্ৰচিত্তে যেন পাঠ শিকে।"

কিছুদিন পিছত যেতিয়া তেওঁলোকৰ বিদ্যাশিক্ষা সমাপ্ত হ'ল। তেতিয়া গুৰুৱে তিনিওজনকে আশীৰ্বাদ দি মাধৱ শৰ্মাক কলে, "তুমি মহাকবি আৰু পণ্ডিত হবা। ৰজাৰ আশ্ৰয়ত সাহিত্য কৰ্মত লাগি যাবা।" তাৰপাছত ৰামচন্দ্ৰক কলে, "তোমাৰ দৃষ্টি ব্যৱসায়াৰ ফালে থাকিব। আনৰ উপকাৰ কৰা বা নকৰা, কিন্তু কাৰো অপকাৰ নকৰিবা। এই লক্ষ্যত দৃষ্টি ৰাখি ব্যৱসায় চলাই যাবা।" তাৰ পাছত জগন্নাথৰ ফালে চাই কলে, "তুমি অৱস্থাপন্ন ঘৰৰ ল'ৰা। তোমাৰ মনত নিজকে ডাঙৰ বুলি কোৱাৰ তীব্ৰ আকাংক্ষা আছে। এই জগতত কেৱল বিদ্যাই মানুহক ডাঙৰ নকৰে। যিয়ে ডাঙৰ বুলি কয় তেওঁক আদৰ সন্মান কৰিবা আৰু নিজে সজ্জন হৈ থাকিবা।"

তাৰ পাছত জগন্নাথ আৰু ৰামচন্দ্ৰ নিজৰ গাঁৱলৈ উভতি আহিল। মাধৱ শৰ্মাই ৰজাৰ আশ্ৰয়ত থাকি মহাকবিৰূপে প্ৰসিদ্ধ হ'ল। ৰামপুৰৰ গাওঁবুঢ়াৰ নিমন্ত্ৰণক্ৰমে মাধৱ শৰ্মা এদিন ৰামপুৰলৈ আহিল। গাওঁবুঢ়াই তেওঁক আদৰ-সন্মানেৰে মাতি নি কলে, "আপুনি এই গাৱলৈ অতিথি হিচাবে আহিছে। মই এই গাঁৱৰ গাওঁবুঢ়া। সেয়েহে মোৰ ঘৰতে আপোনাৰ থকাৰ ব্যৱস্থা কৰিছো। সাধাৰণতে এই গাঁৱলৈ যিবোৰ সন্মানিত ব্যক্তি আহে, জগন্নাথৰ ঘৰতেই থাকে আৰু তেওঁৰ আতিথ্য গ্ৰহণ কৰে। অতিথিক তেওঁ খুব সন্মান কৰে।"

তেতিয়া মাধৱ শৰ্মাই কলে যে জগন্নাথ মোৰ সৰু কালৰ বন্ধু। সেয়েহে মই তেওঁৰ তাতে থকা উচিত হব। তেতিয়া গাওঁবুঢ়াই এজন মানুহ পঠাই দি জগন্নাথক এই খবৰটো দিয়ালে। জগন্নাথে মানুহজনৰ হতুৱাই গাওঁবুঢ়াক খবৰ দিয়লে যে তেওঁ যেন মাধৱ শৰ্মাক তৎক্ষণাত মোৰ ঘৰলৈ পঠাই দিয়ে। মাধৱ শৰ্মাই শিষ্য কুশলৰে সৈতে জগন্নাথৰ ঘৰত উপস্থিত হ'ল।

জগন্নাথে পদূলিমূৰৰ পৰাই বন্ধুক আহি আদৰি লৈ গ'ল। বহিবলৈ দি তেওঁৰ খবৰ-বাতৰি সুধিলে। তেওঁৰ থকা খোৱাৰ ব্যৱস্থা কৰিলে। এইবোৰ দেখি-শুনি কুশল অবাক হৈ ৰল।

পিছদিনাৰ পৰা মাধৱ শৰ্মাই গাওঁবাসীক কবিতা শুনাবলৈ ধৰিলে। গাওঁবাসীয়ে তেওঁৰ প্ৰতিভাৰ প্ৰশংসা কৰিলে। দুদিন



পিছত ৰাতি আহাৰ খাই উঠাৰ পিছত মাধৱ শৰ্মাই জগন্নাথক ৰামচন্দ্ৰৰ বিষয়ে সুধিলে ।

তেওঁতো সদায় বেপাৰতে মগ্ন থাকে । আন কথা ভবাৰ সময় নাই । বৰ্ত্তমান তেওঁ গাঁৱত নাই । ব্যৱসায়ৰ কামত বাহিৰলৈ গৈছে । দুই-তিনিদিনমানৰ ভিতৰতে উভতি আহিব কিজানি । জগন্নাথে কলে ।

“তাৰমানে তেওঁ গুৰুদেৱৰ উপদেশ আখৰে আখৰে পালন কৰিছে । তুমিওতো কম নহয় । গুৰুৰ উপদেশকে মানি চলি আছা ।” হাঁহি হাঁহি মাধৱ শৰ্মাই কলে ।

এই তুলনা জগন্নাথৰ ভাল নালাগিল । তেওঁ কলে, “আমাৰ দুয়োৰে তুলনা কৰাতো মই ভাল পোৱা নাই । গুৰুদেৱে ৰামচন্দ্ৰক সহজ কাম দিছে । কিন্তু মোৰ কথা সম্পূৰ্ণ বেলেগ । ডাঙৰ মানুহৰ সেৱা কৰাতো সিমান সহজ কাম নহয় । যেতিয়াই শুনো গাঁৱলৈ গণ্যমান্য ব্যক্তি আহিছে, তেওঁৰ কাৰণে ফুলেৰে সজোৱা গাড়ী পঠাই দিও । তেওঁৰ থকা খোৱাৰ সুব্যৱস্থা কৰো । ৰামপুৰৰ বিশেষ বিশেষ ঠাইবোৰ দেখুৱাৰ ব্যৱস্থা কৰো । অকল আমাৰ গাঁৱতে নহয়, ওচৰ-পাজৰৰ গাঁৱতো এই বিষয়ে মোৰ এক সুনাম আছে । ইয়াৰ কাৰণে মই কিমান পৰিশ্ৰম কৰিব লাগে তুমি জানানে ? গুৰু-দেৱে উপদেশহে দিছে, কিন্তু ইয়াক পালন কৰাতো কিমান কঠিন তাক তেওঁ কি বুজিব?”

মাধৱ শৰ্মাই যেতিয়া জগন্নাথৰ প্ৰশংসাত পঞ্চমুখ হৈ আছিল সেই সময়তে ৰামচন্দ্ৰ আহি তাত উপস্থিত হ’ল । মাধৱ শৰ্মাক দেখিয়ে অতি আনন্দিত হৈ সাবতি ধৰি ৰামচন্দ্ৰই কলে, “মই নথকা অৱস্থাতহে তুমি আমাৰ গাৱঁলৈ আহিছা । মই এই মাত্ৰ আহিয়ে তুমি অহাবুলি শুনি ইয়ালৈ দৌৰি আহিছো । ব’লা, আমাৰ ঘৰলৈ যাওঁ ।”

মাধৱ শৰ্মাই ৰামচন্দ্ৰক কিমান বুজালে, আজি ৰাতিটো ইয়াতে থাকো কালিলৈ তোমাৰ ঘৰলৈ যাম, কিন্তু ৰামচন্দ্ৰই কোনো আপত্তিয়ে নুশুনিলে । অৱশেষত মাধৱ শৰ্মা আৰু তেওঁৰ শিষ্য কুশল, ৰামচন্দ্ৰৰ ঘৰলৈ যাব লগাত পৰিল ।

ইটো-সিটো কথা হোৱাৰ পিছত ৰামচন্দ্ৰই মাধৱক কলে, “শুনিবলৈ পাইছো তুমি হেনো মহাকবি । তোমাৰ এটা কবিতা শুনোৱাচোন ।”

মাধৱ শৰ্মাই শুদ্ধ ভাষাত কবিতা পাঠ কৰি শুনাইছিল, তেনেতে ৰামচন্দ্ৰই কলে, কবিতা শুনিবলৈতো ভালেই লাগিছে, পিছে ইয়াক মই অলপো বুজি পোৱা নাই । তুমি বিশদভাবে ইয়াৰ অৰ্থ বুজাই দিব লাগিব ।”

মাধৱ শৰ্মাই যেতিয়া ইয়াৰ অৰ্থ বুজাই দিলে তেতিয়া ৰামচন্দ্ৰই কলে, "এতিয়াহে ভালদৰে বুজিব পাৰিছো । সঁচাকৈয়ে তুমি মহান কবি, তোমাৰ কবিতাও মহান । শিক্ষা লাভ কৰাৰ সময়তো তুমি পাঠটো বুজাই দিয়াৰ পিছতহে আমি বুজি পাইছিলো ।"

ৰাতিপুৱা উঠি দেখে গা-ধোৱাৰ কাৰণে গৰম পানীৰ ব্যৱস্থা কৰা নাই । ৰাতিপুৱাৰ আহাৰৰ কাৰণেও কোনো বিশেষ ব্যৱস্থা কৰা নাই । আলপৈচান ধৰাৰ কাৰণে চাকৰ-বাকৰো নাই । ৰামচন্দ্ৰৰ পৰিয়ালে সাধাৰণতে যি খাই তাকে মাধৱ শৰ্মা আৰু কুশলকো খুৱাইছে ।

সেইদিনা সন্ধিয়া জগন্নাথৰ এজন চাকৰে আহি খবৰ দিলে যে মালিকে আপোনালোক দুয়োজনকে তেখেতৰ ঘৰত থাকিবলৈ মাতিছে । কুশলে এই সুযোগৰ অপেক্ষাতে আছিল । তেওঁ যাবলৈ খৰখেদা লগালে । তেতিয়া ৰামচন্দ্ৰই মাধৱ শৰ্মাক কলে, "মাধৱ, তুমি যিমান দিন এই গাঁৱত থাকা, সেই কেইদিন তুমি মোৰ ঘৰত থকাতোৱে মই বিচাৰো ।"

মাধৱ শৰ্মাই চাকৰটোক কৈ পঠালে যে তেওঁ ৰামচন্দ্ৰৰ ঘৰতেই থাকিব । সেই গাঁৱত মাধৱ শৰ্মা আৰু দুদিন থাকিল । গাওঁ এৰি যোৱাৰ দিনাখন ৰামচন্দ্ৰই মাধৱ শৰ্মাক নতুন কাপোৰ এখন উপহাৰ দি কলে, "যিদিনাখন মইতোমাৰ তালৈকে যাম সেইদিনা সুতে মূলে আদায় কৰিম ।"

ৰামচন্দ্ৰৰ কথা শুনি কুশলৰ মনত বেজাৰ লাগিল ।

বেতালে কাহিনীটো শেষ কৰি ৰজাক কলে, "ৰাজন, কথাতে কয় বোলে, বিজ্ঞজনৰ সকলোৰে প্ৰতি দৃষ্টি সমান । কিন্তু সকলো সময়তে সমদৃষ্টি হোৱাতো সঠিক নহয় । ইয়াক বিজ্ঞতা বুলিও কব নোৱাৰি । মাধৱ শৰ্মাৰ বন্ধুসকলৰ ভিতৰত জগন্নাথ এজন উত্তম ব্যক্তি । আনহাতে ৰামচন্দ্ৰ সংস্কাৰহীন । তথাপি অনুমান হয় মাধৱ শৰ্মাই ৰামচন্দ্ৰৰ ঘৰত থাকি যিমান আনন্দ পাইছে

জগন্নাথৰ ঘৰত থাকি সিমান আনন্দ পোৱা নাই । ৰামচন্দ্ৰই সৰু কালৰ বন্ধুক নিজৰ ঘৰলৈ নিমন্ত্ৰণ কৰি মাতি আনিছে সঁচা, কিন্তু অতিথি এজনক যিমান আপ্যায়ন কৰিব লাগে সিমান কৰা নাই । যেনে ধৰা, গা-ধোৱাৰ কাৰণে গৰম পানী, সুস্বাদু আহাৰ, নৰম বিচনা, এইবোৰৰ তেওঁ একো ব্যৱস্থা কৰা নাই । তথাপি ৰামচন্দ্ৰৰ অতিথি-সৎকাৰেই মাধৱ শৰ্মাৰ ভাল লগা যেন অনুমান হয় । জগন্নাথে মাতি পঠোৱাৰ পিচতো তেওঁৰ তালৈকে যাবলৈ অস্বীকাৰ কৰাতোৱে ইয়াৰ প্ৰমাণ । মই বুজিব পৰা নাই। ইয়াৰ কাৰণ কি হব পাৰে ? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মনে মনে থাকা তেনেহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব ।”

তেতিয়া ৰজা বিক্ৰমে কলে, “মাধৱ শৰ্মা নিঃসন্দেহে এজন কবি আৰু বিদ্যান ব্যক্তি । তেওঁ মানুহৰ মন বুজি পোৱাত সিদ্ধহস্ত । জগন্নাথ এজন ঈৰ্ষাপৰায়ণ ব্যক্তি । মাধৱ শৰ্মাই অতি সোনকালে বুজিব পাৰিলে যে তেওঁৰ মৰমস্নেহবোৰ মিছা । তেওঁ দয়ালু বুলি দেখুৱাৰ নাটকহে কৰে । তেওঁ মাধৱ শৰ্মাক কৈছিল যে ডাঙৰ মানুহক আদৰিবলৈ তেওঁ ফুলেৰে সজোৱা গাড়ী পঠাই দিয়ে, ওচৰ-পাজৰৰ ঠাইবোৰ দেখুৱাৰ সুব্যৱস্থা কৰে আৰু তেওঁৰ পৰিয়ালৰ মানুহ অতিথি সেৱাত লাগি থাকে । ইয়াৰ পৰা বুজা যায় তেওঁৰ দৃষ্টিত মাধৱ শৰ্মা ডাঙৰ মানুহ নহয় । তেওঁ জানিছিল যে মাধৱ শৰ্মা এই গাঁৱলৈ আহিছে। তথাপিতো গাওঁবুঢ়াই তেওঁক খবৰ নিদিয়ালৈকে তেওঁ মাধৱ শৰ্মাক নিমন্ত্ৰণ জনাবলৈ কোনো মানুহ পঠোৱা নাছিল । এতিয়া ৰামচন্দ্ৰৰ কথালৈ আহোঁ । মানি লৈছো তেওঁ মানুহক আদৰ-আপ্যায়ন কৰাত অনভিজ্ঞ । কিন্তু তেওঁৰ ল'ৰালীকালৰ বন্ধু গাঁৱলৈ অহা খবৰ শুনিয়েই দৌৰা দৌৰিকৈ গৈ তেওঁৰ বন্ধুক ঘৰলৈ লৈ আহিছিল । জগন্নাথে ডাঙৰ মানুহক আদৰ-অভ্যৰ্থনা কৰাৰ নামত সুনাম অৰ্জন কৰিব খোজে । তেওঁ ইয়াৰ সুযোগতে থাকে । মনত ৰাখিবা যিয়ে মিছা আদৰ কৰিব নাজানে তেওঁৰ সামান্যতম সঁচা আদৰেই যথেষ্ট । সেই আদৰ অতি মহান ।

যি আদৰৰ অন্তৰালত কোনো অভিপ্ৰায় থাকে সেই আদৰ সঁচা আদৰ নহয় । কাৰণ তেওঁৰ হৃদয়ত নামমাত্ৰ আদৰো নাই ।

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৱে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল ।

শকুন্তলা গৰ্গৰ ৰচনাৰ আধাৰত

ফণিৰ মাহাত্ম্য

ফণি যে কেৱল মূৰ ফণিয়াই চুলিবোৰ পৰিপাতি কৰি ৰাখিবলৈহে মাথোঁ সেইটো কোনে নো কয় ? মূৰ ফণিওৱাতকৈও ফণিৰে আৰু বহুত কাম হয় । উৰিষ্যাৰ জুৱাং জনজাতিৰ লোকসকলে ফণিক প্ৰেমৰ প্ৰতীক হিচাবে ব্যৱহাৰ কৰে । বিবাহ উৎসৱতো ফণিয়ে এক বিশেষ ভূমিকা পালন কৰে । সামাজিক উৎসৱবোৰত জুৱাং ল'ৰাবোৰে তেওঁলোকৰ নৃত্যৰ সঙ্গী ছোৱালীবোৰক ফণি উপহাৰ দিয়ে । কোনোবা ছোৱালীয়ে যদি কোনোবা ল'ৰাক ভাল পায়, তেনেহলে ছোৱালীজনীয়ে ধূৰ্ত্তালি কৰি ল'ৰাজনৰ ফণিখন চুৰি কৰি ল'ৰাজনৰ প্ৰতি প্ৰেম প্ৰকাশ কৰে ! বিবাহৰ সময় জুৱাং জনজাতিৰ দৰা এজনে কইনাক ফণি উপহাৰ দিয়ে । অনুমান কৰাচোন এই ফণিখনেৰে কইনাই কি কৰে ? নিশ্চয় দৰাৰ চুলি ফণিয়াই !

বৰ্ণাঢ্য সম্ৰাট

ৰং,ৰং, তুমি কি ৰং ভাল পোৱা ? ইয়াৰ পিছৰবাৰ তোমালোকে এই খেলটো খেলিলে সম্ৰাট আকবৰে ভালপোৱা ৰংবোৰো অন্তৰ্ভূক্ত কৰিবা । আইন-ই-আকবৰী নামৰ বুৰঞ্জী পুথিখনত সম্ৰাট আকবৰৰ পোছাকৰ আলমাৰিত থকা ৰংবোৰৰ কথা উল্লেখ আছে। সেই ৰংবোৰৰ ভিতৰত আছে ৰুবী, সোণ, কমলা, পিতল, ঘাঁহ, কপাহৰ ফুল, চন্দন, বাদাম, আঙুৰ, মৌ, মুগা, আপেল, ধানখেৰ,পেস্তা, চীনামাটি, আম আৰু কস্তুৰী ৰং । ইয়াৰ বাহিৰেও আকবৰে ব্যৱহাৰ কৰা ৰংবোৰ আছিল-গাঢ় ৰঙা, বেঙুনীয়া, পাতল বেঙুনীয়া, গুলপীয়া,পাতল নীলা আৰু উজ্জ্বল গুলপীয়া । ইয়াৰ দ্বাৰা কব পাৰি আকবৰ নিশ্চয় এজন বৰ্ণাঢ্য সম্ৰাট আছিল ।

অবিনাশী দৈত্য

হিমালয়ৰ পাদদেশত ৰাজত্ব কৰি থকা দক্ষ ৰজাৰ ভালেকেইগৰাকী কন্যা আছিল। সেই কন্যাসকলৰ ভিতৰৰে ৰাজকুমাৰী দিতিক কাশ্যপ মুনিলৈ বিবাহ দিছিল । দিতিৰ গৰ্ভত বহুতো পুত্ৰ সন্তান জন্ম হৈছিল। কিন্তু সেই আটাইবোৰ সন্তানেই দৈত্য আছিল। তেওঁলোকে সদায় দেৱতাসকলৰ লগত কাজিয়া কৰিছিল । সেই কাজিয়া গৈ শেষত যুদ্ধত পৰিণত হৈছিল । ফলস্বৰূপে দৈত্যসকলৰ মৃত্যু হৈছিল ।

পুত্ৰসকলৰ মৃত্যু হোৱা কাৰণে দিতিয়ে এখন নিৰ্জন ঠাইলৈ গৈ কঠোৰ তপস্যাত মগ্ন হ'ল । তেওঁ তপস্যাৰ দ্বাৰা ভগবানৰ ওচৰত প্ৰাৰ্থনা জনালে, তেওঁক এনে এজন পুত্ৰ সন্তান দিব লাগে, যাক দেৱতাসকলে বধ কৰিব নোৱাৰে ।

দিতিৰ তপস্যাত সন্তুষ্ট হৈ ভগবানে তেওঁৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলে । দিতিৰ এক আচৰিত ধৰণৰ পুত্ৰ জন্ম হ'ল, যাৰ এহেজাৰ ভৰি, এহেজাৰ হাত আৰু দুহেজাৰ চকু । সন্তানটো লাহে লাহে ডাঙৰ হ'ল । সময়ত গৈ সেই পুত্ৰজন অসামান্য শক্তিশালী আৰু সাহসী ৰূপে পৰিচিত হ'ল ।

শক্তি আৰু সাহস, উৎকৃষ্ট গুণ নহয় বুলি কোনেনো কব ? মহান লক্ষ্যত উপনিত হবলৈ সাহস আৰু শক্তিৰ অতিকৈ প্ৰয়োজন। ইয়াৰ দ্বাৰা দুৰ্বলজনক সহায় কৰিব পাৰি, অজ্ঞাত ঠাইখনো বিচাৰি উলিয়াব পাৰি । কিন্তু দিতিৰ এই পুত্ৰজনে আনৰ অনিষ্ট সাধনৰ উদ্দেশ্যে তেওঁৰ শক্তি ব্যৱহাৰ কৰিছিল । লাহে লাহে তেওঁৰ ক্ষমতাৰ কাৰণে ইমান অহঙ্কাৰী হৈ উঠিল যে, তেওঁ

তেওঁৰ শুভাকাঙ্খীসকলৰ উপদেশো নমনা হ'ল । তেওঁ ঋষি-মুনিসকলক বিদ্রূপ কৰিছিল আৰু তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাইছিল । তেওঁ আত্মগৌৰৱত অন্ধ আছিল । সেই কাৰণে তেওঁক অন্ধক বুলি মতা হৈছিল । অন্ধকৰ মাতৃয়ে তেওঁক কিবা ভাল নাম দিছিল যদিও সকলোৱে তেওঁ অন্ধক বুলিহে জানিছিল ।

অতি শীঘ্ৰে অন্ধকে জানিব পাৰিছিল যে দেৱতাসকলেই তেওঁৰ ভ্ৰাতৃসকলক বধ কৰিছিল । অন্ধকে দেৱতাসকলৰ ওপৰত ইয়াৰ পোতক তুলিবলৈ সিদ্ধান্ত কৰিলে । ইয়াৰ পিছতে ক্ষমতাশালী দৈত্য আৰু দেৱতাসকলৰ মাজত এখন দীঘলীয়া যুদ্ধ হয়। সাধাৰণতে যুদ্ধৰ শেষত দেৱতাসকলেই জয় লাভ কৰে । অন্ধকৰ মাতৃয়ে লাভ কৰা বৰৰ কাৰণে অন্ধকে মৃত্যুৰ হাতৰ পৰা ৰক্ষা পালে।

দেৱতাসকলে ভাবিলে, অন্ধকৰ অত্যাচাৰৰ অন্ত পেলাবলৈ কিবা এটা কৰিবই লাগিব । দেৱতাসকলে জানিছিল যে অন্ধক অবিনাশী । কিন্তু ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, এই তিনিজন শক্তিশালী দেৱতাৰ কোনোবা এজনৰ হাতত নিশ্চয় তেওঁৰ বিনাশ হব !

এদিনাখন মহৰ্ষি নাৰদ দৈত্যৰ ওচৰলৈ গ'ল । মুনিয়ে এডাল ধুনীয়া ফুলৰ মালা পিন্ধি আছিল । ফুলবোৰ অকল ধুনীয়াই নাছিল, সুগন্ধীও আছিল । অন্ধকে মালাডালৰ ফালে একেথৰে চাই আছিল । মালাডালৰ ফুলৰ সুগন্ধই তেওঁক মতলীয়া কৰি তুলিছিল । তেওঁ আগতে এনেকুৱা ফুল দেখাও নাছিল আৰু এনেকুৱা ফুল যে আছে তাৰ কথা শুনাও নাছিল ।

"হে মুনিবৰ এই ফুলবোৰ কি আচৰিত! আপুনি এই মালডাল ক'ত পাইছে ?" দৈত্যই সুধিলে ।

"স্বৰ্গ, মৰ্ত্ত, পাতাল, এই তিনিলোকৰ ভিতৰত মাথোঁ এখন ঠাইত হে এই ফুলবোৰ আছে । সেই ঠাইখন হ'ল মন্দাৰ পৰ্বত । তাত থকা ফুলবোৰৰ নামো মন্দাৰ ।" নাৰদে কলে ।

"এনেকুৱা এধাৰ মালা মোৰো পিন্ধিবৰ খুব ইচ্ছা গৈছে !" দৈত্যই কলে ।

"এই মালাধাৰ আপোনাক উপহাৰ দিব পাৰিলে মই সুখী হলোহেতেন । কিন্তু এই মালাধাৰ মই কিছুদিন পিন্ধিছো, সেয়েহে ইয়াৰ ফুলবোৰ মৰহি যোৱাৰ পথত । তাৰোপৰি আপোনাৰ নিচিনা এজন দৈত্যই আনে পিন্ধা মালা এডাল পিন্ধাতো শোভা নাপাব," মুনিয়ে কলে ।

"ঠিক কৈছে মুনিবৰ, মই আপুনি কোৱা ঠাইলৈকে যাম । এই সুগন্ধি ফুলবোৰৰ কাৰণে তাৰ পৰিৱেশো নিশ্চয় সুগন্ধ হব । মই তালৈ গৈ ধুনীয়া ফুলবোৰ চিঙি নিজৰ কাৰণে এধাৰি মালা গাঠি লম ।" দৈত্যই কলে।

অন্ধকে সেই পৰ্বতলৈ যোৱা পথৰ কথা নাৰদৰ পৰা জানি লৈ তালৈকে যাত্ৰা কৰিলে। সেই পৰ্বতৰ ওপৰখন ধুনীয়া, সুগন্ধি মন্দাৰ ফুলেৰে ভৰি আছিল । তেওঁ তৎক্ষণাৎ সিদ্ধান্ত কৰিছিল যে তেওঁৱেই এই ঠাইখনৰ গৰাকী হব । তেওঁৰ বাহিৰে অন্য কোনেও এই ফুলৰ সুগন্ধ উপভোগ কৰিব নোৱাৰিব।

কিন্তু হঠাতে তেওঁ দেখিবলৈ পালে এহাল পতি-পত্নীয়ে প্ৰকৃতিৰ এই ধুনীয়া উদ্যানখনত বিচৰণ কৰি আছে । হঠাতে দৈত্যৰ মনৰ পৰিবৰ্তন হ'ল । তেওঁ পতি-পত্নীহালৰ প্ৰতি ঈৰ্ষান্বিত হৈ উঠিল । অন্ধকে পাহৰি গৈছিল যে যিহেতু সেই পতি-পত্নীহাল আগৰে পৰা তাত আছে, সেয়েহে উদ্যানখন তেওঁলোকৰো হব পাৰে । দৈত্যসকলক লৈ সমস্যা হ'ল, তেওঁলোকে যিটো ভাল পায় বা আশা কৰে সেইটো তেওঁলোকক লাগিবই ।

অন্ধকে গৰ্জন কৰি কলে, "তোমালোক ইয়াৰ পৰা তৎক্ষণাত গুচি যোৱা, নহলে মই পাহাৰৰ ওপৰৰ পৰা তোমালোকক তললৈ পেলাই দিম, একেবাৰে গুড়ি হৈ যাবা ।"

অন্ধকে জানিব পৰা নাছিল যে সেই পতি-পত্নীহাল ভগবান শিৱ আৰু উমাৰ বাহিৰে আন কোনো নহয় ।

শিৱই কৌতুহলপূৰ্ণ দৃষ্টিৰে দৈত্যৰ ফালে চালে । দৈত্যই অধৈৰ্য্য হৈ উঠিছিল । দুয়ো দৈত্যৰ কথা অমান্য কৰা কাৰণে অন্ধকে দাঁত কৰচি দুয়োকে ধৰিবলৈ হাত মেলি খেদি গৈছিল ।

ঠিক পিছমুহূৰ্ত্ততে শিৱই ত্ৰিশূলেৰে অন্ধকক আঘাত কৰিছিল । অন্ধকে ইয়াক প্ৰতিৰোধ কৰিব নোৱাৰিলে । তেওঁ বাগৰি বাগৰি পৰ্বতৰ তলত পৰি গৈছিল, তাৰপৰা তেওঁ আৰু কেতিয়াও উঠিব নোৱাৰিলে ।



বুঢ়ী আইতাৰ কাহিনী

বহুদিন আগৰ কথা । এখন গাঁৱত এজনী বুঢ়ী আছিল । তেওঁৰ এজনী নাতি আছিল । বুঢ়ী বৰ সহজ সৰল । বুঢ়ীৰ সৰলতাৰ সুযোগ লৈ ওচৰৰ তিৰোতাবোৰে বুঢ়ীক ভালৰি লগাই বুঢ়ীৰ পৰা চাউল, দালি তেল আদি লৈ গৈছিল । বুঢ়ীৰ নাতিয়েকে আইতাকক কোনো কাম বন কৰিব নিদিয়াকৈ সুখত ৰাখিব বিচাৰিছিল । সেয়েহে নাতিয়েকে কষ্ট কৰি ধন অৰ্জন কৰিছিল । কিন্তু বুঢ়ীৰ সৰলতাৰ কাৰণে সকলো ধন খৰছ হৈ গৈছিল । কেতিয়াবা নাতিয়েক চন্দ্ৰই বুঢ়ীৰ ওপৰত অসন্তুষ্ট হৈ দুই এক কথা শুনাইছিল।

তেতিয়া আইতাকে শান্তভাৱে নাতি-য়েকক বুজাই কৈছিল, "লাহে লাহে কোৱা, তুমি ইয়াকো নাজানানে যে ইটো কোঠালীৰ কথা সিটো কোঠালীৰ মানুহে শুনিব নাপায়। এয়ে হ'ল সংসাৰ চলোৱাৰ উপায় । আমাৰ কথা আনৰ কাণলৈ যোৱা উচিত নহয় ।"

"কষ্ট কৰি ধন অৰ্জন কৰিছো । তোমাক বহি বহি খাবলৈ দিছো । তথাপি তুমি যি মন যায় তাকে কৰা । দুদিন লঘোনে থাকিলেহে বুজি পাবা ধন, টকা-পইচাৰ আৱশ্যকতাৰ কথা ।" নাতিয়েক চন্দ্ৰই খংভাবে আইতাকক কলে ।

নাতিয়েকৰ কথা শুনি আইতাকে হাঁহি হাঁহি কলে, "মনে মনে থাকা । ইমান খং কৰিব নাপায় ।"

বুঢ়ীয়ে এদিন ঘৰ সাৰি থাকোতে এপাত চাবি পালে । বুঢ়ীয়ে অনুমান কৰিলে এইপাত নাতিয়েকে কাপোৰ ৰখা টিনৰ বাকচটোৰ চাবি । নাতিয়েক নথকা অৱস্থাত বুঢ়ীয়ে বাকচটো খুলি দেখে যে কাপোৰৰ মাজত বহুত টকা ৰখা আছে ।

"আৰে বাঃ, মোক নজনোৱাকৈ চন্দ্ৰই ইমান টকা জমা কৰি ৰাখিছে ?" এইবুলি কৈ বুঢ়ীয়ে আনন্দিত হৈ বাটলৈ আহি চুবুৰীৰ তিৰোতাবোৰক টকাবোৰ দেখুৱাবলৈ ধৰিলে।

যেতিয়া তেওঁলোকে ইয়াকে লৈ নিজৰ ভিতৰতে আলোচনা কৰি আছিল, সেই সময়তে দুজন ল'ৰা তালৈ দৌৰি আহি কবলৈ ধৰিলে, "চন্দ্ৰৰ আইতাক ক'ত আছে ? চন্দ্ৰ নাৰিকলৰ গছৰ পৰা পৰি গৈছে । মূৰত আঘাত পাইছে । গাওঁবুঢ়াৰ গাড়ীত তাক চহৰলৈ লৈ গৈছে । চন্দ্ৰই গৈছে যে তাৰ বাকচত কিছু টকা ৰখা আছে । আইতাকক কৈ টকাখিনি আমাক লৈ যাবলৈ কৈছে ।"

এইকথা শুনি বুঢ়ীয়ে কান্দিবলৈ ধৰিলে আৰু টকাৰ মোনাখন সিহঁতৰ হাতত গটাই দিলে । টকা লৈ সিহঁত গুচি গ'ল । বুঢ়ীয়ে চোতালত বহি কান্দি থাকিল ।

তাৰে এঘন্টাৰ পিছতে চন্দ্ৰই মূৰত এটা চাউলৰ বস্তা লৈ আহি আছিল । দূৰৰ পৰা নাতিয়েক আহি থকা দেখি বুঢ়ীয়ে আনন্দিত হৈ নাতিয়েকৰ ওচৰলৈ গৈ কলে, "এতিয়া বিষ কেনে পাইছা ? খুব দুখ পাইছা নেকি ? ডাক্তৰে কি কৈছে ?"

প্ৰথমতে চন্দ্ৰই একো বুজিব পৰা নাছিল। পিছত যেতিয়া আইতাকৰ মুখত সকলো কথা শুনিলে চন্দ্ৰই খং কৰি কলে, "মোৰ কষ্টৰ অৰ্জনৰ ধন তুমি এনেয়ে খেদালা । মোৰ মনৰ ইচ্ছা আছিল আৰু কিছু টকা গোটাই লৈ চহৰত বেপাৰ কৰিম । তাত তোমাক আৰু সুখত ৰাখিম । কিন্তু কি হ'ব, ভাগ্যত নাই । গুচি যোৱা । মোৰ সন্মুখলৈ আৰু কেতিয়াও নাহিবা ।"

নাতিয়েকৰ তিক্ত কথা শুনি বুঢ়ীৰ মনত বহুত দুখ লাগিল । বুঢ়ীয়ে নিজকে নিজে কবলৈ ধৰিলে, "ছিঃ, এনে জীৱন কটোৱাতকৈ হাবিৰ মাজত গৈ পিশাচৰ হাতত মৰাই ভাল ।" এইবুলি কৈ বুঢ়ীয়ে ৰাতিৰ এন্ধাৰতে আহি আহি এজোপা বটগছৰ তলত ৰৈ গ'ল । বুঢ়ীয়ে নিজে নিজে ভোৰ ভোৰাই কবলৈ ধৰিলে, "ইমান অন্ধকাৰ, তথাপি এটাও পিশাচ দেখিবলৈ পোৱা নাই ।" তাৰ পাছত "পিশাচ, পিশাচ" বুলি চিঞৰিবলৈ ধৰিলে ।

দুটা চুটি-চাপৰ পিশাচ আহি বুঢ়ীক ধমক দি কলে, "কিয় এইদৰে চিঞৰিছা ?"

পিশাচ দুটা দেখি বুঢ়ীয়ে আনন্দিহৈ পিশাচৰ আগত গোটেই কাহিনীটো কলে। তাৰ পাছত দুখ কৰি কলে, "মোৰ নাতিয়ে মোক কটু কথা কৈছে । মই আৰু জীয়াই থাকিব নোখোজো । মোক মাৰি পেলোৱা।"

বুঢ়ীৰ কথা শুনি পিশাচ দুটাই নিজৰ

ভিতৰতে কলে, "বুঢ়ীৰ কথাৰ পৰা অনুমান হৈছে পুখুৰীৰ পাৰৰ জুপুৰীটোত থকা চোৰ দুটাই এই কাম কৰিছে । সিহঁতে ফাকি দি এজনী ছোৱালীক লৈ আহিছে । বেচেৰীয়ে কান্দি আছে ।" তাৰ পাছত পিশাচ দুটাই বুঢ়ীক কলে, "আইতা, তোমাৰ নাতিৰ টকাখিনি যদি আনি দিও তুমি ঘৰলৈ যাবানে ?"

তেতিয়া বুঢ়ীয়ে কলে, "টকাখিনি পালে আনন্দ মনে ঘৰলৈ ঘূৰি যাম ।"

পিশাচ দুটাই বুঢ়ীক পুখুৰীটোৰ পাৰত থকা জুপুৰীটোৰ ওচৰলৈ লৈ গৈ কলে, "ইয়াৰে একোণত থিয় হৈ থাকি ঘৰৰ ভিতৰত কি ঘটে চাই থাকিবা ।" এইবুলি কৈ পিশাচ দুটা ঘৰৰ ভিতৰলৈ সোমাই গ'ল ।

ভিতৰত এজনী ধুনীয়া ছোৱালীয়ে চোৰ দুটাক কৈ আছিল, "মোক এৰি দিয়া । যদি লাগে, মোৰ গহনাবোৰে নিয়া ।"

তেতিয়া দুয়ো ধমক দি কৈছিল, "এইটো নহব । তই আমাৰ দুয়োৰে কোনোবা এজনক বিয়া কৰাব লাগিব ।"

তাৰ পাছত এক আচৰিত ঘটনা ঘটিল। কান্দি থকা ছোৱালীজনীয়ে হঠাতে কালীমাৰ মূৰ্ত্তি ধৰি উঠি ওচৰতে পৰি থকা লাঠি এডাল তুলি লৈ দুয়োকে কোবাই কোবাই কবলৈ ধৰিলে, "ইমান পৰে মই তোমালোকক মিনতি কৰিছিলো । কিন্তু মোৰ মিনতি নুশুনিলা । তোমালোকে মোক কি বুলি ভাবিছা । মইও পিশাচৰ জীয়েক । এতিয়া তোমালোকক ঠিক মজা দিম।"

লাঠিৰ কোব সহ্য কৰিব নোৱাৰি দুয়ো চোৰ ঘৰৰ বাহিৰলৈ আহিল । যেতিয়াই বাহিৰলৈ আহিল বাহিৰত থকা পিশাচটোৱে দুয়োকে ধৰি ছোৱালীজনীৰ ওচৰলৈ লৈ গ'ল, যাৰ ওপৰত আনটো পিশাচে ভৰ কৰিছিল । এই আকস্মিক ঘটনাত চোৰ দুটাই ভয় খালে । যিটো পিশাচে ছোৱালীজনীৰ ওপৰত ভৰ কৰিছিল সি বুঢ়ীক ভিতৰলৈ লৈ গৈ চোৰ দুটাক কলে, "তোমালোকে ফাকি দি বুঢ়ীৰ ধন লৈ আহিছা, নহয়নে ?"

"হয়, হয় ।" বুলি চোৰ দুটাই সৈ কাঢ়িলে। "তোমালোক দুয়ো কিমান নীচ । এজনী নিৰীহ বুঢ়ীক ঠগাই তেওঁৰ নাতিয়েকৰ কষ্টেৰে আৰ্জিত ধন লৈ আহিছা । লাজ লগা নাই? তৎক্ষণাত বুঢ়ীৰ ধন বুঢ়ীক ঘূৰাই দিয়া ।" এজন পিশাচে কলে । তেতিয়া চোৰ দুজনে বুঢ়ী পৰা অনা ধনৰ মোনাখন বুঢ়ীক ওভতাই দিলে ।

বুঢ়ীৰ ধনৰ মোনাখন পোৱাৰ পিছত এজন পিশাচে কলে, "তোমালোক নতুন চোৰ যেন পাইছো, সেয়েহে লাঠিৰে পিটিলো, নহলে গোটে গোটে গিলি থলোহেতেন। আজিৰ পৰা পৰিশ্ৰম কৰি ধন অৰ্জন কৰিবা।

চোৰদুজন তাৰপৰা তৎক্ষণাত গুচি গ'ল। তাৰপাছত পিশাচে নিজৰ ৰূপ ললে। তাকে দেখি ছোৱালীজনী ভয় খাই গ'ল। পিশাচে তাইক শান্ত্বনা দিলে। ছোৱালী-জনীয়ে কলে যে তাইৰ নাম লক্ষ্মী। তাই মাহীমাকৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি মাহীমাকৰ গহনা আৰু কিছু ধন লৈ পলাই আহিছে। বাটতে তাইক চোৰ দুজনে পাই ধৰি আনিলে।

পিশাচে তেতিয়া তাইক বুঢ়ী আৰু নাতিয়েকৰ কথা কলে। "তুমি অতি ধুনীয়া। তুমি যদি বুঢ়ীৰ নাতিয়েক চন্দ্ৰক বিবাহ কৰোৱা তেনেহলে সুখেৰে থাকিব পাৰিবা। আইতা, তোমাৰ মতামত কি?" পিশাচটোৱে সুধিলে।

বুঢ়ীয়ে কলে, "ইয়াত কবলৈ কি আছে? তুমি মোৰ মনৰ কথাই কৈছা ?" এনেতে বুঢ়ীৰ নাতিয়েক চন্দ্ৰই "আইতা, আইতা" বুলি চিঞৰি মতা শুনা গ'ল।

বুঢ়ীয়ে প্ৰত্যুত্তৰ দি চিঞৰি কলে, "চন্দ্ৰ, মই ইয়াতে আছো।"

চন্দ্ৰই আইতাকৰ ওচৰলৈ দৌৰি আহি থোকা-থুকি মাতেৰে কলে, "আইতা, খঙতে মই তোমাক কলোৱেইবা, তাতে বেয়া পাই হাবিলৈ তুমি গুচি আহিলা। তুমি অবিহনে মই থাকিব নোৱাৰিম।"

তেতিয়া বুঢ়ীয়ে হাঁহি হাঁহি কলে, "ধন কলৈ যাব ? তোমাৰ কাৰণে লক্ষ্মীস্বৰূপা পত্নী লৈ আহিছো। এইয়া চোৱা।" এইবুলি কৈ লক্ষ্মীক আগুৱাই যাবলৈ দি নাতিয়েকক দেখুৱালে। লক্ষ্মীয়ে লাজতে তলমূৰ কৰিলে। পিশাচ দুটাইও দুয়োকে আশীৰ্বাদ দি তাৰ পৰা অদৃশ্য হৈ গ'ল।

দুসপ্তাহ পিছত মন্দিৰত চন্দ্ৰ আৰু লক্ষ্মীৰ বিবাহ হৈ গ'ল। ঘূৰাই পোৱা ধনেৰে চন্দ্ৰই চহৰত ব্যৱসায় আৰম্ভ কৰিলে। এইদৰে আইতাক, নাতিয়েক আৰু নাতিবোৱাৰী-য়েকে সুখেৰে দিন কটাবলৈ ধৰিলে।

তিয়াৰ সংবাদ

লণ্ডনৰ পাঁচ বছৰ বয়সীয়া তিয়া লাভাৰ্ণ ৰবাৰ্টচ নামৰ ছোৱালীজনীয়ে কেতিয়াও ষ্টক এক্সেঞ্জৰ ভিতৰভাগ দেখা নাই, কিন্তু তাই লাভৰ সম্ভবনা থকা বাতৰি দিব পাৰে! কোনো এটা বিশেষ দিনত কিছুমান ভাল চেয়াৰৰ মূল্য ১৬ শতাংশ পৰি গৈছিল । কিন্তু তিয়াই ভৱিষ্যৎবাণী কৰা চেয়াৰৰ মূল্য ৫.৮ শতাংশ বাঢ়ি গৈছিল । ঠিক সেইদিনাখনেই এজন বিখ্যাত বজাৰ বিশ্লেষকে ৪৬ শতাংশ লোকচান ভাবিছিল আৰু এজন জ্যোতিষীয়ে কোৱা চেয়াৰৰ মূল্য ৬.২ শতাংশ পৰি গৈছিল । বছৰৰ শেষৰ ফালে, অহা ছ সপ্তাহত তিয়াই ভৱিষ্যতবাণী কৰা চেয়াৰবোৰৰ ভিতৰত আছে কেডবেৰি স্কিউপচ, প্ৰুডেনশ্বিয়েল আৰু পিয়াৰচনচ ।

বন্যই ভাল, নগৰীয়া জীৱন নহয় !

১৬ বছৰ বয়সীয়া জন্তন বহাৰীয়ে স্কুলত নপঢ়ো আৰু চহৰত বাস নকৰো বুলি কৈছিল। পঢ়াৰ কাৰণে আকৰ্ষণীয় সুযোগ দিবলৈ খোজা কৰ্তৃপক্ষৰ আগতে জন্তনে কৈছিল যে, তেওঁ জঙ্ঘলত থাকিয়েই ভাল পায় । তেওঁ মালয়চিয়াৰ টেমকত বাস কৰা এটা ক্ষুদ্ৰ জনজাতিৰ লোক । "মই জঙ্ঘল ভাল পাওঁ আৰু চহৰত বাস কৰাৰ কাৰণে মই বাসস্থান পৰিবৰ্তন কৰিব নোখোজো । "জন্তনে দৃঢ়তাৰে কৈছিল । তেওঁৰ নজনীয়া পৰিয়ালটো পহাং ৰাজ্যৰ অৰণ্যত এটা কাঠেৰে তৈয়াৰী পঁজাত বাস কৰে । "জঙ্ঘলে মোক মানসিক শান্তি দিয়ে ।" পিতৃ বহাৰী কিউপিয়ে কৈছিল : "জঙ্ঘলে আমাৰ মনত উদ্দীপনা যোগায়, ইয়াতেই মোৰ সন্তানসকলে বাস কৰিব আৰু ইয়াতেই মৰিব ।"

সহজ গুণ

ৰাম আৰু ভীমে একেটা চুবুৰীতে বাস কৰে। ৰাম অৱস্থাপন্ন লোক। এনেয়ে ভীমৰ অৱস্থাও বেয়া নহয়, তথাপি তেওঁৰ সম্পত্তি সীমিত। কিন্তু গাঁৱৰ মানুহে ভীমৰ উপকাৰী গুণৰ শলাগ লয়।

মানুহৰ মুখত ভীমৰ প্ৰশংসা শুনি ৰামৰ ঈৰ্ষা হয়। তেওঁ এদিন স্থিৰ কৰিলে মানুহৰ পৰা প্ৰশংসা লাভ কৰিবলৈময়ো কিবা কৰিব লাগিব। তেওঁৰ ঘৰলৈ কোনোবাই দান বিচাৰি আহিলে তেওঁ দান দিয়ে। গাঁৱৰ মন্দিৰৰ বাবেও ধন দান কৰে। তথাপি মানুহে তেওঁৰ প্ৰশংসা নকৰি ভীমৰহে প্ৰশংসা কৰে। এই কথা ৰামৰ সমূলি সহ্য নহৈছিল।

এদিন গোবিন্দ নামৰ এজন দূৰ সম্পৰ্কীয় লোক ৰামৰ ঘৰলৈ আহিল। ৰামে গোবিন্দৰ আগত নিজৰ মনৰ দুখৰ কথা প্ৰকাশ কৰি সকলো কোৱাত গোবিন্দই কলে, "এই সংসাৰত প্ৰচাৰৰ ডাঙৰ মাহাত্ম্য আছে। তুমি লাগে সৰু উপকাৰেই কৰা, ইয়াৰ প্ৰচাৰ হোৱা আৱশ্যক। যিজনে তোমাৰ পৰা উপকাৰ পায় তেওঁ যদি তোমাৰ উদাৰতাৰ প্ৰচাৰ কৰে তেনেহলে তুমি লগাতকৈও বেছি সুনাম অৰ্জন কৰিব পাৰিবা। দুই-চাৰিদিনৰ ভিতৰতে প্ৰমোদ নামৰ এজন ব্যক্তি ইয়ালৈ আহিব। তুমি যদি তেওঁক আদৰ-সন্মান কৰা তেনেহলে তোমাৰ ডাঙৰ লাভ হব।"

প্ৰমোদে সেই গাঁৱলৈ মহাতন্ত্ৰী নামৰ এজন পণ্ডিতৰ পৰা তন্ত্ৰশাস্ত্ৰ শিকিবলৈ আহিব। যিমান দিনলৈকে তেওঁ তন্ত্ৰশাস্ত্ৰ পাঠ শিকি থাকিব সিমান দিনলৈ তেওঁ নিজে ৰন্ধা-বঢ়া কৰি খাব লাগিব। কোনো লোকৰ ঘৰৰ ভিতৰলৈ সোমাব নোৱাৰিব। বাহিৰতে ৰব লাগিব। মাটিৰ ওপৰতে বিচনা পাৰি শুব লাগিব। এই নিয়ম কোনো অৱস্থাতে উলঙ্ঘন কৰিব নোৱাৰিব। তেওঁ শুকান খৰি গোটাই আনি সেইবোৰেৰে গছৰ তলত বহি

কপিল জোশী

নিজৰ কাৰণে ভাত ৰান্ধিব । কোনো মানুহে যদি বাহিৰৰ বাৰান্দাত তেওঁক শুবলৈ অনুমতি দিয়ে তেনেহলে তেওঁ তাত শুব পাৰিব । ৰামে ভাবিলে যদি মই তেওঁক এইখিনি সহায় কৰো তেনেহলে তেওঁ মোৰ উদাৰতাৰ প্ৰশংসা কৰি গাঁৱত এই কথা প্ৰচাৰ কৰিব ।

গোবিন্দৰ পৰা প্ৰমোদ অহাৰ কথা জানিব পাৰি ৰামৰ আনন্দ লাগিল । তেওঁ গোবিন্দক কলে, "চোৱা প্ৰমোদক মোৰ ঘৰলৈকে পঠাবা ।" প্ৰমোদে "হব" বুলি কৈ যি কামৰ কাৰণে এই গাঁৱলৈ আহিছিল সেই কাম সম্পূৰ্ণ কৰি গুচি গ'ল ।

ইয়াৰ দুদিন পিছতে প্ৰমোদে ৰামৰ ঘৰলৈ আহি কলে, "মহাশয়, চাৰিওফালে আপোনাৰ বহুত প্ৰশংসা শুনিবলৈ পাইছো। আপোনাৰ ছত্ৰ-ছাঁয়াত থাকি যদি বিদ্যা লাভ কৰিব পাৰো তেনেহলে নিজকে ধন্য মানিম ।"

প্ৰমোদে ৰাতিপুৱাই উঠি নদীৰ পাৰলৈ গৈ নিত্যকৰ্ম সমাপ্ত কৰি উঠি নদীত স্নান কৰি ঘূৰি অহাৰ সময়ত কোনো বৃক্ষৰ ফল পাৰি পেট ভৰাই খাই লয় । তাৰ পাছত তেওঁ গৈ মহাতন্ত্ৰীৰ ঘৰত দুপৰীয়ালৈকে তন্ত্ৰশাস্ত্ৰৰ শিক্ষা লয় । দুপৰীয়া আকৌ নদীৰ পাৰলৈ গৈ গছৰ তলত ভাত ৰান্ধি খায় । আবেলি মহাতন্ত্ৰীৰ ঘৰলৈ গৈ তেওঁৰ প্ৰধান পুথি দুখনৰ পৰা মুখ্য বিষয়বোৰ তালপত্ৰত লিখি লয় । ৰাতি আকৌ কোনো ফল-মূল খাই ৰামৰ ঘৰৰ বাহিৰৰ বাৰান্দাত শুই থাকে ।

সেই গাঁৱৰ প্ৰচলিত ৰীতি অনুসৰি প্ৰতিঘৰ মানুহৰ ঘৰৰ বাৰান্দাত এগছি চাকি জ্বলাই ৰাখিব লাগে । প্ৰমোদে সেই চাকিৰ পোহৰত লিখি লোৱা তালপত্ৰবোৰ পঢ়িছিল। কিবা কথা বুজি নাপালে পিছদিনা মহাতন্ত্ৰীৰ পৰা সেই কথাবোৰ বুজি লৈছিল ।

এইদৰে চাৰিদিন পাৰ হৈ গৈছিল । প্ৰমোদে যদিও ৰামৰ পৰিয়ালক কোনো কষ্ট দিয়া নাছিল তথাপি ৰামৰ মনত এনে লাগিছিল যেন তেওঁ প্ৰমোদক বহুত সহায় কৰিছে ।

ৰাম এতিয়া প্ৰমোদৰ ওপৰত অসন্তুষ্ট । ৰামৰ অসন্তুষ্টিৰ কাৰণ হ'ল, প্ৰমোদে তেওঁৰ প্ৰশংসা কৰা নাই আৰু তেওঁৰ উদাৰতাৰ বিষয়ে মানুহৰ আগত প্ৰচাৰ কৰা নাই । ৰামৰ পত্নী আৰু পুত্ৰ কন্যাও প্ৰমোদৰ ওপৰত অসন্তুষ্ট । তেওঁ ৰামৰ বাৰান্দাত শুইছিল, কিন্তু ৰামৰ পত্নীক শ্ৰদ্ধা কৰা নাছিল আৰু ল'ৰা-ছোৱালীবোৰক সাধু কথা কোৱা নাছিল । এয়ে হ'ল তেওঁলোকৰ অভিযোগ । এসপ্তাহৰ পিছত ৰামে আৰু ৰব নোৱাৰি প্ৰমোদৰ আগত নিজৰ মনৰ কথা খুলি কলে ।

যি উদ্দেশ্যে তেওঁ ইয়ালৈ আহিছে তেওঁৰ উদ্দেশ্য পূৰণ নহব । তেতিয়াৰ পৰা তেওঁক কোনোবাই কিবা কাম কৰিবলৈ কলে তেওঁ অস্বীকাৰ কৰা হ'ল । এই কথাত অসন্তুষ্ট হৈ ৰামে প্ৰমোদক কলে, "অন্য মানুহে বাৰান্দাত সৰু সৰু চাকি জ্বলাই ৰাখে । কিন্তু আমি আমাৰ অৱস্থা হিচাবে ডাঙৰ চাকি জ্বলাই ৰাখো, যাৰ কাৰণে তুমি ইয়াৰ পোহৰত পঢ়িব পাৰা । আজিৰ পৰা এই চাকি জ্বলোৱাৰ কাৰণে যি তেল খৰছ হব তাৰ দাম তুমি দিব লাগিব ।"

নিয়ম অনুসাৰে অধ্যয়ন কালত প্ৰতিদিন এক সীমিত খৰছ কৰিব লাগে । ইয়াতকৈ বেছি খৰছ কৰিব নোৱাৰে । যদি তেওঁ তেলৰ দাম ভৰিব লাগে তেনেহলে তেওঁ খোৱা কমাই দি সেই পইচা তেলত খৰছ কৰিব লাগিব । খোৱা কমাই দিলে শৰীৰ দুৰ্বল হব । মস্তিষ্কই ঠিক মতে কাম নকৰিব আৰু পঢ়াত ব্যঘাত ঘটিব । সেয়েহে তেওঁ ৰামক জনাই দিলে যে তেলৰ খৰছ দিয়াতো তেওঁৰ বাবে সম্ভৱ নহব। ৰামে তেতিয়া খঙতে বাৰান্দাত চাকি জ্বলাই ৰখা প্ৰথা বন্ধ কৰি দিলে । সেইদিনাৰ পৰা প্ৰমোদে ভীমৰ বাৰান্দাৰ চাকিৰ পোহৰত পঢ়িবলৈ ললে ।

ইয়াকে দেখি ৰামে ভীমৰ আগত কলে, "আমাৰ ইয়াত বাৰান্দাত চাকি জ্বলাই ৰখা প্ৰথা কিয় হ'ল মই সেই কথা নাজানো । কিন্তু এই চাকিৰ পোহৰৰ পৰা যিয়ে সুবিধা লাভ কৰে তেওঁ কৃতজ্ঞতা খিনিও নেদেখুৱায় । বাৰান্দাত শুবলৈ অনুমতি দিয়াৰ পিছতো তেওঁ এনে ভাব দেখুৱায় যেন আমি তেওঁৰ বাবে একোকে কৰা নাই । মই প্ৰমোদক তেলৰ খৰছ দিবলৈ কলো । সেয়েহে তেওঁ এতিয়া তোমাৰ বাৰান্দাৰ চাকিৰ পোহৰত পঢ়ে আৰু

প্ৰমোদে তেতিয়া দুখ প্ৰকাশ কৰি কলে, "এতিয়া মোৰ সকলো মনোযোগ অধ্যয়নৰ প্ৰতিহে কেন্দ্ৰিভূত । এই বাবে মই আপোনাৰ অন্তৰত দুখ দিব লগা হ'ল । মই নিজৰ ভুল সংশোধন কৰি আপোনালোকক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিম ।

সেইদিনাৰ পৰা প্ৰমোদে ৰামৰ পৰিয়ালৰ মানুহৰ সৈতে কথা বতৰা কৰবলৈ ললে । দুদিনমান যোৱাৰ পিছত পৰিয়ালৰ মানুহবোৰে প্ৰমোদক কাম কৰিবলৈ কোৱা হ'ল । ৰামে মাজে মাজে পথাৰলৈ যাবলৈ কয় । তেওঁৰ পত্নীয়ে দোকানৰ পৰা বস্তু কিনি আনিবলৈ কয় । ল'ৰা-ছোৱালীবোৰক নদীৰ পাৰলৈ ফুৰাবলৈ নিব লাগে, সিহঁতৰ লগত খেলিব লাগে ।

কেইদিনমান পিছত প্ৰমোদে ভাবিলে এনেকৈ থাকিলে নিজৰ পঢ়াত ক্ষতি হব ।

মোৰ বাৰান্দাত শোৱে । এনে মানুহক উচিত শিক্ষা দিব লাগে । তুমিও আজিৰ পৰা বাৰান্দাত চাকি জ্বলাই নাৰাখিবা । তেতিয়া বাঁহো নাথাকিব, বাঁহীও নাবাজিব ।

ভীমে কলে, "ল'ৰাজনে যে মোৰ বাৰান্দাত পঢ়ে সেই কথা নাজানিছিলোঁৱে । আজিৰ পৰা তাত এগছি ডাঙৰ চাকি ৰাখিব লাগিব ।"

"তেওঁৰ পঢ়াৰ কাৰণে আমি কিয় তেলৰ খৰছ ভৰিম ।" ৰামে খঙেৰে কলে ।

ভগবানৰ কৃপাত এইবাৰ সৰিয়হৰ খেতি ভাল হৈছে । ঘৰতো কোনো বস্তুৰ অভাব নাই। গতিকে ল'ৰাজনক পঢ়াত সহায় কৰিব পাৰিলে নিজকে ভাগ্যবান বুলিহে ভাবিম । তুমি কি অসুবিধা পাইছা নাজানো, কিন্তু মোৰ কোনো অসুবিধা হোৱা নাই । আজিৰ পৰা প্ৰমোদক মোৰ বাৰান্দাত থাকিবলৈকে কম ।" ভীমে কলে ।

ৰামৰ খং উঠিছিল যদিও মনে মনে থাকিল । ৰামে ভাবিলে কোনোবা দিনা ভীমৰো প্ৰমোদৰ ওপৰত বিৰক্তি জন্মিব তেতিয়া তেওঁ প্ৰমোদক গুচি যাবলৈ কব । কিন্তু এনে একো নহল । ভীমে বাৰান্দাত ডাঙৰ চাকি এগচি দিয়াৰ উপৰিও প্ৰমোদৰ ব্যৱহাৰৰ কাৰণে বিচনীও এখন দিলে । মাজে সময়ে ভীমে শুকান কাঠ গোটোৱাতো প্ৰমোদক সহায় কৰি দিয়ে । পঢ়া শেষ নোহোৱালৈকে প্ৰমোদ ভীমৰ বাৰান্দাতে থাকিল । অধ্যয়ন সমাপ্ত কৰি প্ৰমোদে ভীম তথা তেওঁৰ পৰিয়ালৰ ভূয়ঁসী প্ৰশংসা কৰিবলৈ ধৰিলে । গোটেই গাঁৱৰ মানুহে ভীমৰ উপকাৰী গুণৰ আৰু এবাৰ প্ৰমাণ পালে । গাঁৱৰ সকলো মানুহ তেওঁৰ প্ৰশংসাত পঞ্চমুখ হ'ল ।

কিছুদিন পিছত গোবিন্দ ৰামৰ ঘৰলৈ অহাত ৰামে গোবিন্দক কলে, "তুমি মোৰ ঘৰলৈ প্ৰমোদক পঠাই সুনাম অৰ্জন কৰাৰ সুযোগ দিছিলা । কিন্তু মই এতিয়াও নিজেই বুজিব পৰা নাই মই কিয় এই সুযোগৰ সৎ ব্যৱহাৰ কৰিব নোৱাৰিলো ?"

তেতিয়া গোবিন্দই হাঁহি হাঁহি কলে, "কিছুমান মানুহে নিজেতো ভাল কাম কৰিব নোৱাৰে আৰু আনে ভাল কাম কৰা দেখিলেও ঈৰ্ষা হয় । আনক উপকাৰ কৰা গুণ সকলোৰে নাথাকে । বেয়া নাপাবা, ভীমৰ যি উপকাৰী গুণ আছে সেয়া তোমাৰ নাই । প্ৰমোদৰ ক্ষেত্ৰতো ঠিক সেইটোৱে হ'ল । তুমি ইয়াৰ সুযোগ লব নোৱাৰিলা ।

ৰাজস্থানৰ লোককথা

মহাপৰাক্ৰমী শাসকসকল, ওখ ওখ উট, শুকান মৰুভূমি, সুৰম্য দুৰ্গ, সাহসী প্ৰজাবৰ্গ । ৰাজস্থানৰ কথা উল্লেখ কৰিলেই এই বিষয়বোৰ মনলৈ আহে । ৰাজস্থানৰ পৰ্বত তথা মৰুভূমিৰ দৃশ্য অতি মনোহৰ । ইয়াৰে আৰাৱলী পৰ্বতমালা পৃথিৱীৰ অন্যতম পুৰণি পৰ্বতমালা । ভাৰতৰ একমাত্ৰ মৰুভূমি, থৰ মৰুভূমি এই ৰাজ্যতে আছে ।

ৰাজস্থানক ৰজাৰ বাসস্থান বুলিব পাৰি। ১৯ খন ৰজাই শাসিত ৰাজ্য ৩ খন সামন্ত ৰাজ্য লগহৈ ১৯৫৬ চনত বৰ্ত্তমানৰ ৰাজস্থান ৰাজ্যখন গঠন হৈছে । এই ৰাজ্যৰ আয়তন ৩৪২,২৩৯ বৰ্গ কি.মি.।

ৰাজস্থানৰ চাৰিওফালে থকা সীমাৰ ৰাজ্যবোৰ হ'ল-মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ, গুজৰাট, পঞ্জাব আৰু হাৰিয়ানা । এই ৰাজ্যৰ পশ্চিম দিশত পাকিস্তানৰ সৈতে অন্তৰ্জাতিক সীমাৰেখাও আছে ।

ৰাজস্থানৰ জনসংখ্যা ৫৬, ৪৭৩, ১২২ জন । এই ৰাজ্যৰ ৰাজধানী জয়পুৰ। হিন্দী এই ৰাজ্যৰ ৰাজ্যিক ভাষা । ৰাজস্থানী আৰু ইংৰাজী ভাষাও ইয়াত কোৱা হয় । ইয়াৰ বাহিৰে মাৰোৱাৰী, মেৱাৰী, হাদোতি আৰু মেৱাতি উপভাষাৰো ইয়াত প্ৰচলন আছে।

সুযোগ্যা কন্যা

বৃদ্ধ ঠাকুৰ আৰি সিং যেতিয়া বেমাৰত পৰিল, তেওঁ ভাবিলে এই পৃথিৱীত তেওঁৰ দিন চমু চাপি আহিছে । ঠাকুৰে পৰিয়াল আৰু আত্মীয় স্বজনক তেওঁৰ ওচৰলৈ মাতিলে । বৃদ্ধৰ একমাত্ৰ কন্যা লহৰদৈয়ে পিতৃৰ ক্ষীণ হাতদুখন লিৰিকি-বিদাৰি ওচৰতে থিয় হৈ আছিল ।

তেওঁৰ আত্মীয়সকলে, কলে "ঠাকুৰজী, আপোনাৰ কিবা অন্তিম ইচ্ছা আছে যদি কওক, আমি পূৰণ কৰিবলৈ চেষ্টা কৰিম ।"

ঠাকুৰে ক্ষীণ মাতেৰে কলে, "জীৱনৰ ইচ্ছাবোৰ মই নিজেই পূৰণ কৰিছো । কিন্তু দুটা ইচ্ছাহে মই পূৰণ কৰিব নোৱাৰিলো ।"

"সেই ইচ্ছা দুটা কি পিতা ?" লহৰদৈয়ে সুধিলে।

“বাছা, মোৰ ইচ্ছা আছিল আমাৰ ঘৰত টোদৰমল গীত গোৱা হব !” টোদৰমল হ'ল এক পৰম্পৰাগত বিয়া গীত, যি গীত দৰাই ঘৰলৈ কইনা লৈ অহাৰ সময়ত তিৰোতা-সকলে গায়। আৰি সিঙৰ কোনো পুত্ৰ সন্তান নাই । গতিকে তেওঁৰ ঘৰত কেনেকৈ টোদৰমল গাব ? কিছু সময় মৌনতাৰ পিছত এজন মানুহে কলে, “এইটো সম্ভৱ হব, যদি আপুনি কাৰোবাক তোলনীয়া পুত্ৰ কৰি লয়!”

তেতিয়া আৰি সিঙে মূৰটো লৰাই কলে, “ইয়াৰ কাৰণে বহুত পলম হৈ গ'ল ।” তাৰপাছত তেওঁ ফুচফুচাই কোৱাৰ নিচিনাকৈ কলে, “মোৰ দ্বিতীয় ইচ্ছাটো হ'ল, মোৰ পৰিয়ালৰ লোকৰ ব্যৱহাৰৰ কাৰণে গুজৰাটৰ পৰা কিছুমান তেজী ঘোঁৰা আনিব লাগে !”

কিছুসময় নিস্তব্ধতা বিৰাজ কৰিলে । তাৰ পাছত মানুহবোৰে কোৱা-মেলা কৰিলে, “এইটো অসম্ভৱ !”

“যদি আপোনাৰ কোনো সাহসী পুত্ৰ থাকিলহেতেন, তেওঁহে আপোনাৰ ইচ্ছা পূৰণ কৰিব পাৰিলেহেতেন ।” এজন মানুহে অতি দুখমনে কলে । তাৰ পাছত মানুহবোৰ যাবলৈ ধৰিলে ।

শেষলৈ মাথোঁ লহৰদেহে তেওঁৰ পিতাকৰ ওচৰত থিয় হৈ থাকিল । লহৰদৈয়ে পিতাকৰ ক্ষীণ হাত দুখনত জোৰে মুঠিমাৰি ধৰি কলে, “পিতা, মই আপোনাৰ দুয়োটা ইচ্ছাই পূৰণ কৰিম ।” লহৰদৈৰ ধুনীয়া চকুযুৰিত দুটোপাল চকুলো বিৰিঙি উঠিছিল।

ঠাকুৰে তেওঁৰ কন্যাৰ মুখত হাত বুলাই দিলে। তাইৰ চকুত জিলিকি থকা চকুপানী দুটোপালিত ঠাকুৰে দৃঢ়তাৰ অগ্নিশিখা দেখিবলৈ পালে। “ধন্য” মোৰ সন্তান, ভগবানে তোমাৰ মঙ্গল কৰক। ইয়াৰ কেইমুহূৰ্ত্তমানৰ পিছতে তেওঁ

ইহলীলা সম্বৰণ কৰিলে ।

লহৰদৈয়ে পিকাকৰ অন্তিম ইচ্ছা পূৰণৰ উদ্দেশ্যে ঘৰৰ পৰা যাত্ৰা কৰিলে । তাই এজন যুৱকৰ বেশ পিন্ধিলে আৰু দীঘল চুলিবোৰ লুকাই ৰাখিবলৈ মূৰত পাগুৰি মাৰিলে । তাৰ পাছত হাতত তৰোৱাল লৈ ঘোঁৰাত উঠি গুজৰাটলৈ ৰাওনা হ'ল ।

বাটত গৈ থাকোতে লহৰদৈয়ে আৰু দুজন মানুহক লগ পালে । তেওঁলোকৰ উদ্দেশ্যও একেই । তাৰে এজন ৰাজপুত আৰু আনজন এজন নাপিত। বাটতে তিনিও জনে বন্ধুত্ব পাতি একেলগে গৈ থাকিল ।

অৱশেষত তেওঁলোকে গৈ সেই চহৰখন পালে য'ত বিখ্যাত ঘোঁৰাবোৰৰ প্ৰজনন হয় । গুজৰাটৰ ৰজাৰ অতুলনীয় ঘোঁৰাবোৰ সাধাৰণতে আস্তাবলত বান্ধি থোৱা নহয়, মুকলি পথাৰতে এৰি দিয়া থাকে । ঘোঁৰাবোৰ

ৰখিবলৈ ৰজাৰ এক বিশেষ বাহিনী আছে। গুজৰাটৰ ৰজাই ঘোষণা কৰি থৈছে যে যিসকলে ঘোঁৰা ভাল পায় বা ঘোৰাপ্ৰেমী, তেওঁলোকে যিমান ইচ্ছা সিমান ঘোঁৰ। নিব পাৰিব, কিন্তু এটা চৰ্ত আছে, তেওঁলোকে ঘোঁৰাবোৰ পৰ দি থকা ৰজাৰ বিশেষ বাহিনী-টোক পৰাস্ত কৰিব লাগিব।

পথাৰৰ এটা কোণত এটা ডাঙৰ ঢোল ৰখা আছে। যিয়ে ঘোঁৰা নিবলৈ ইচ্ছা কৰে সেই ঢোলটো বজাব লাগিব। তেতিয়া ঘোঁৰাৰখীয়া সৈন্যবোৰৰ লগত যুদ্ধত পৰাস্ত হয় তেনেহলে তেওঁ সুদা হাতে ঘৰলৈ উভতি যাব লাগিব। কিন্তু যদি তেওঁ যুদ্ধত জয় লাভ কৰে তেনেহলে যিমান ইচ্ছা সিমান ঘোঁৰা লৈ যাব পাৰিব। ৰাজাৰ সৈন্যবাহিনী ইমান শক্তিশালী আছিল যে কাচিত হে কোনোবাই জয়লাভ কৰিব পাৰিছিল!

সেই কাৰণে ঠাকুৰ আৰি সিংহৰ আত্মীয়সকলে গুজৰাটৰ পৰা ঘোঁৰা লৈ যাবলৈ সাহস কৰা নাছিল।



তেওঁলোক তিনিও গৈ যেতিয়া পথাৰখন পালে লহৰদৈয়ে ঢোলটো বজাবলৈ আগবাঢ়ি গ'ল আৰু সৈন্যবোৰৰ সন্মুখীন হ'ল। "তুমি আমাৰ কাৰণে কেইটামান ভাল ঘোঁৰা পছন্দ কৰিব পাৰিবানে?" লহৰদৈয়ে ৰাজপুতজনক সুধিলে। ৰাজপুতজন সন্মত হ'ল।

যেতিয়া ৰাজপুতজন আৰু নাপিতজন ঘোঁৰাবোৰ চাবলৈ গ'ল, লহৰদৈয়ে ঢোলটো কোবাই দিলে। লগে লগে এদল সৈন্য আগবাঢ়ি আহিল। মাথোঁ এজন যুৱকে ঢোলটোৰ ওচৰত ৰৈ থকা দেখি সৈন্যবোৰ আচৰিত হ'ল। "গুচি যোৱা ইয়াৰ পৰা!" সৈন্যসকলৰ দলপতিজনে কলে। আমি মাত্ৰ এজন মানুহৰ লগত যুদ্ধ নকৰো! অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত ডাঙৰ সৈন্যবাহিনীয়েহে আমাৰ ইয়ালৈ ঘোঁৰা নিবলৈ আহে।

লহৰদৈয়েও সহজে এৰি দিয়া ভকত নহয়, "আহা, আহা, আগবাঢ়ি আহা। মই অকলেই তোমালোকক পৰাস্ত কৰিব পাৰিম।" লহৰদৈয়ে সৈন্যসকলক উদ্দেশ্য কৰি কলে।

"আঃ হাঃ বেচেৰা!" দলপতিজনে হাঁহি মাৰি কলে। "তুমি নিজৰ ফালে এবাৰ চাই লোৱাচোন। তোমাৰ এতিয়াও গোঁফেই গজা নাই!"

লহৰদৈয়ে সাহসেৰে উত্তৰ দিলে, "যদি মোৰ শক্তি সম্পৰ্কে তোমালোকৰ সন্দেহ আছে তেনেহলে মোৰ এই তৰোৱালখন মাটিত পুতি থলো। আৰু যদি তোমালোকে এইখন টানি উলিয়াব পাৰা তেতিয়াহলে মই পৰাজয় স্বীকাৰ কৰি লম।" এইবুলি কৈ লহৰদৈয়ে তৰোৱালৰ আগটো তললৈ কৰি হেঁচি তৰোৱালখন মাটিত পুতি থলে।

শিল্প কলা

ৰাজস্থানৰ এক পুৰণি শিল্প কলা হ'ল পেইন্টিং । ৰাজস্থানৰ মিনিয়েচাৰ পেইন্টিংঙেই সম্ভৱতঃ ভাৰতীয় পেইন্টিংবোৰৰ ভিতৰত আতাইতকৈ মোহনীয় পেইন্টিং । মেৱাৰ, কোটা, জয়পুৰ, বিকেনাৰ আৰু মাৰৱাৰ নিচিনা বহু প্ৰকাৰৰ পেইন্টিং আছে ।

প্ৰত্যেক পেইন্টিঙৰে এক অতুলনীয় বৈশিষ্ট আছে। স্কুলভেদে পেইন্টিঙৰ বিষয়বস্তুও বেলেগ বেলেগ । কোটা পেইন্টিঙত পৰ্বতপাহাৰ নদ-নদী, হাবি-বননি আদিৰ প্ৰাকৃতিক দৃশ্য আৰু চিকাৰৰ দৃশ্য থাকে । পেইন্টিঙৰ সকলোবোৰ শৈলীতে শ্ৰীকৃষ্ণৰ জীৱন ভিত্তিত অঙ্কিত চিত্ৰবোৰ থাকে ।

গহনা শিল্পৰ কাৰণেও ৰাজস্থান বিখ্যাত । মোগলৰ দিনত ৰাজস্থান স্বৰ্ণ শিল্পৰ প্ৰধান কেন্দ্ৰ আছিল । সোণৰ মীনাকৰাৰ কাৰণে এই ৰাজ্য অতি বিখ্যাত । জয়পুৰত অতি মূল্যবান পাথৰৰ ওপৰতো মীনা কৰায় । বৰ্ত্তমানেও সোণৰ উপাৰিও ৰূপ আৰু অন্যান্য ধাতুৰ ওপৰত মীনা কৰায় ।

যুৱকৰ কথা শুনি সৈন্যসকলে আমোদ পালে। এজন সৈন্য আগবাঢ়ি আহি তৰোৱালখন টানি উলিয়াবলৈ চেষ্টা কৰিলে। কিন্তু সৰ্বশক্তি প্ৰয়োগ কৰিও সেইখন টানি উলিয়াব নোৱাৰিলে।

সেই সৈন্যজন অসফল হৈ ঘূৰি অহাৰ পিছত আন এজন সৈন্য আগবাঢ়ি গ'ল, তাৰ পাছত আন এজন । কিন্তু কোনেও তৰোৱালখন টানি উলিয়াব নোৱাৰিলে । সকলোৰে শেষত দলপতিজনে চেষ্টা কৰিও অসফল হ'ল । তেওঁলোকে লাজতে একো নোকোৱাকৈ পথাৰৰ পৰা গুচি গ'ল ।

লহৰদৈয়ে তৰোৱালখন মাটিৰ পৰা টানি উলিয়াই আনিলে । লহৰদৈয়ে জোৰে টানমাৰি তৰোৱালখন উলিয়াই আনোতে জোকাৰণি লাগি তাইৰ মূৰৰ পৰা পাগুৰিটো পৰি গৈছিল। তেতিয়া তাইৰ দীঘল চুলিবোৰ ওলাই পৰাত নাপিতে আচৰিত হৈ কৈছিল, "অ', তুমি এগৰাকী মহিলা !" লহৰদৈয়ে কোনো মাত-বোল নকৰাকৈ তাৰফালে মাথোঁ চাইছিল ।

ৰাজপুতজনে সেই সময়ত তিনিওৰে ঘোঁৰাবোৰ ভাগ কৰি আছিল । হঠাতে নাপিতৰ মাত শুনি সেইফালে ঘূৰি চাই দেখে যে তেওঁলোকৰ লগত অহা সঙ্গীজন এজনী যুৱতী। তেতিয়া ৰাজপুতজনে লহৰদৈয়ে ভেশছন ধৰি অহাৰ কাৰণ জানিব বিচাৰিলে৷ লহৰদৈয়েও একো লুক-ঢাক নকৰাকৈ গোটেই কাহিনীটো কলে ।

লহৰদৈয়ে কোৱা কথাবোৰ ৰাজপুতজনৰ ভাল লাগিল। তেওঁ কলে, "তুমি এজনী সাহসী ছোৱালী! কোনে কয়, কেৱল পুৰুষেহে ঘোঁৰাত উঠিব পাৰে, যুদ্ধ কৰিব পাৰে আৰু দুঃসাহসী হব পাৰে ? কোনো মতা মানুহেই তোমাৰ লগত ফেৰ মাৰিব নোৱাৰে।"

"কিন্তু মোৰ অভিযান এতিয়াও শেষ হোৱা নাই। মই নিশ্চিত হব লাগিব যে আমাৰ ঘৰত টোডৰমল গোৱা হব! আৰু ইয়াৰ বাবে মোৰ এই ভেশছনৰ আৱশ্যক হব।" তাই মুখৰ ভিতৰতে ভোৰ্‌ভোৰাই কথাখিনি কলে।

ৰাজপুতজনে যেন তাইৰ কথা একো শুনাই নাই এনেভাবে কলে, "মই ইমান দিনে তোমাৰ দৰে সাহসী ছোৱালী বিচাৰি আছিলো। তুমি মোক বিয়া কৰাবানে ?"

লহৰদৈৰ তৎক্ষণাত মনলৈ আহিল, পিতৃৰ অন্তিম ইচ্ছা পূৰণৰ এইটোৱেই উত্তম সুযোগ। তাই তৎক্ষণাত উত্তৰ দিলে, "হয়, মই কৰাম। কিন্তু এটা চৰ্ত আছে। এই বিয়াখনত মই দৰা হম আৰু তোমালোকৰ ঘৰলৈ বৰযাত্ৰী লৈ যাম। তোমাক কইনাৰ সাজ পিন্ধাই আমাৰ ঘৰলৈ কইন কৰি লৈ আহিম!"

দুৰ্গ আৰু ৰাজপ্ৰাসাদ

ৰাজস্থান দুৰ্গ আৰু ৰাজপ্ৰাসাদৰ ঠাই। দুৰ্গবোৰ সাধাৰণতে পাহাৰৰ ওপৰত অৱস্থিত অন্য ৰাজ্যৰ দৰে নদীৰ পাৰত নহয়। অন্য ঠাইৰ দুৰ্গৰ নিচিনা ইয়াৰ চাৰিওফালে গড়খাৱৈও নাই। চিতোৰ দুৰ্গ ৰাজস্থানৰ আটাইতকৈ পুৰণি দুৰ্গ। এই দুৰ্গটো পৃথক পাহাৰ এখনৰ ওপৰত অৱস্থিত। এই ৰাজ্যৰ অন্যান্য প্ৰসিদ্ধ দুৰ্গবোৰ হ'ল-ৰন্থাম্ভৰ, জয়ছালমাৰ, অম্বৰ, নাহৰগড়, বুন্দি, যোধপুৰ আৰু বিকানিৰ দুৰ্গ।

ৰজা-মহাৰজাৰ দেশ হিচাবে ৰাজস্থানত বহুতো ৰাজপ্ৰাসাদ আছে। জয়পুৰৰ অম্বৰ পেলেচ ৰাজপুত স্থাপত্যবিদ্যাৰ এক অপূৰ্ব নিদৰ্শন। উদয়পুৰৰ লেক পেলেচ গ্ৰেনাইটেৰে নিৰ্মিত স্থাপত্যবিদ্যাৰ অন্য এক বিস্ময়। ৰাজস্থানৰ ভিতৰতে এইটো আটাইতকৈ বৃহৎ ৰাজপ্ৰাসাদ। অন্যান্য বিখ্যাত প্ৰাসাদবোৰ হ'ল-জয়পুৰৰ চিটি পেলেচ আৰু জয়ছালমাৰ পেলেচ।

ভ্ৰমণ স্থান

ৰাজস্থানৰ ৰাজধানী জয়পুৰ নগৰখনক গোলাপী নগৰী বুলিও কোৱা হয় । পৰ্যটকৰ কাৰণে এইখন অতি আকৰ্ষণীয় স্থান । ইয়াৰে হাৱা মহল আৰু জন্তৰ-মন্তৰ চাবলগীয়া ঠাই ।

মাউন্ট আবু, এই ৰাজ্যৰ একমাত্ৰ পাৰ্বত্য চহৰ । দিলৱাৰ জৈন মন্দিৰ, পৰ্যটকৰ কাৰণে অতি আকৰ্ষণীয় স্থান । ইয়াৰ ভাস্কৰ্য্যবিদ্যা অতি মনোহৰ ।

এই ৰাজ্যখন বহুতো জন্তু আৰু পক্ষীৰ বাসস্থান । ভৰতপুৰ জাতীয় উদ্যান বিশ্বৰ ভিতৰতে বিখ্যাত বগলী থকা উদ্যান । ৰন্থাম্ভৰ জাতীয় উদ্যানখন সংৰক্ষিত ব্যঘ্ৰ বনাঞ্চল হিচাবে অতি বিখ্যাত ।

লহৰদৈৰ কথা শুনি ৰাজপুতজন বিস্ময়ত হতবাক হ'ল । তেওঁ বাৰু তিৰোতাৰ সাজ পিন্ধিবলৈ কিয় সন্মত হব, সেয়াও আকৌ নিজৰ বিয়াৰ দিনাখন ? নাপিতে দুয়োৰে কথাবতৰা শুনি আছিল । তেওঁ ৰাজপুতজনক সন্মত হবলৈ উপদেশ দিলে। "তুমি মূৰ্খামী নকৰিবা । মাথোঁ অলপ সময়ৰ কাৰণেহে তুমি তিৰোতা মানুহৰ পোচাক পিন্ধিব লাগিব । এই সুযোগ গলে, এওঁৰ নিচিনা উপযুক্ত ছোৱালী বিচাৰি নাপাবা!"

অৱশেষত ৰাজপুতজন সন্মত হ'ল । নাপিতে আনন্দ মনে তেওঁলোকৰ বিয়াৰ সকলো বন্দোবস্ত কৰিলে ।

বিয়াৰ দিনাখন লহৰদৈয়ে দৰাৰ পোচাক পিন্ধিলে আৰু কইনা ঘৰলৈ বৰযাত্ৰী লৈ গ'ল। বিয়াৰ শেষত দৰাই কইনাক নিজৰ ঘৰলৈ লৈ গ'ল । লহৰদৈৰ ঘৰৰ পদূলিত গাঁৱৰ তিৰোতাবোৰ আহি গোটখালে । তেওঁ-লোকে আনন্দমনে টোদৰমল গাই গাই দৰা কইনাক ঘৰৰ ভিতৰলৈ আদৰি লৈ গ'ল ! এইদৰে লহৰদৈয়ে পিতাকৰ অন্তিম ইচ্ছা পূৰ্ণ কৰিলে।

সেয়েহে ৰাজপুতসকলে আজিও গৌৰৱেৰে কয় "অকৰ্মণ্য পুত্ৰ সন্তান হোৱাতকৈ, সুযোগ্যা কন্যা সন্তান হোৱাই ভাল!"

ভাৰতৰ বিষয়ে জানি লোৱা

এই মাহৰ প্ৰশ্নাৱলীত ভাৰত তথা বিশ্বৰ খেল সম্পৰ্কে সোধা হ'ব । এইটো স্মৰণ কৰিব পাৰি যে তাৰ ভিতৰত কিছুমান পুৰুষ আৰু মহিলা খেলুৱৈয়ে বিশ্ব অভিলেখ স্থাপন কৰিছে।

১. কেতিয়া আৰু ক'ত প্ৰথম এচিয়ান গেমচ্ পতা হৈছিল ?

২. ১৯৮২ চনত নতুন দিল্লীত অনুষ্ঠিত নৱম এচিয়ান গেমচৰ প্ৰতীকি জন্তু (মেচ্কট) কি আছিল ?

৩. নৱম এচিয়ান গেমচৰ ২০ কি.মি. দূৰত্ব খোজকঢ়া প্ৰতিযোগিতাত কোন খেলুৱৈয়ে সোণৰ পদক লাভ কৰিছিল ? তেওঁ কিমান সময় লৈছিল ?

৪. ১৯০৮ চনৰ পৰা ভাৰতে অলিম্পিক খেলত কিমানবাৰ হকি চেম্পিয়নশ্বিপ খিতাপ লাভ কৰিছে ?

৫. ভাৰতৰ কোন মহিলা খেলুৱৈয়ে অলিম্পিকৰ যিকোনো খেলত ফাইনাল পাইছিল গৈ ?

৬. এচিয়ান গেমচত প্ৰথম সোণৰ পদক প্ৰাপ্ত প্ৰথম মহিলা খেলুৱৈ গৰাকী কোন আছিল ?

৭. তলত কেইটামান খেলৰ সৈতে জৰিত ট্ৰফিৰ কথা উল্লেখ কৰা হ'ল । সেইবোৰ কোন খেলৰ সৈতে জৰিত ?
ক) ৰাণী ঝাঁচি ট্ৰফি খ) সুব্ৰত কাপ গ) মুথিয়া কাপ

৮. কেইগৰাকীমান বিখ্যাত ভাৰতীয় ক্ৰিড়াবিদক একোটা উপনামেৰে জনা যায় । তেখেতসকলক চিনাক্ত কৰা ।
ক) উৰন্ত শিখ খ) লিটিল মাষ্টাৰ গ) যাদুকৰ

৯. ইংলিচ চেনেল সাঁতুৰি পাৰ হোৱা প্ৰথম ভাৰতীয় কোন আছিল ? কেতিয়া পাৰ হৈছিল ? ১৯৬০ চনত তেওঁ অন্য এক কৃতিত্ব লাভ কৰিছিল । এইটো কি আছিল ?

১০. কোন ভাৰতীয়ই প্ৰথমবাৰৰ বাবে বিশ্ব বেডমিন্টন খিতাপ লাভ কৰিছিল ? তেওঁ কিমান বয়সত জাতীয় জুনিয়ৰ চেম্পিয়নশ্বিপ লাভ কৰিছিল ?

১১. বিশ্বৰ উচ্চতম ক্ৰিকেট পিট্চ ভাৰততে আছে । ক'ত ?

(উত্তৰ অহা সংখ্যাত)

জানুৱাৰী ২০০৩ সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. ১০,০০০ মেগা ওৱাট
২. ১৯৮৩
৩. জাৰ্মানী
৪. পৃথিৱী
৫. ৰাকেশ শৰ্মা ৩এপ্ৰিল, ১৯৮৪ । কল্পনা চাওলা-১৯ অক্টোবৰ, ১৯৯৭।
৬. ১৯৫৭
৭. ১৯৫৩
৮. ক'লকাতা-১৯৫৪- নতুন সচিবালয় ভৱন (১৪ তলা)

গণেশ

কৃষ্ণই হেনো স্যমন্তকমণি অপহৰণ কৰিলে, সকলোতে এই কথাৰ ৰৌঢ়ি উঠিল। ৰৌটোকে টৌটো কৰি সত্ৰাজিতেই কথাটো সদৰি কৰিলে। তেওঁ প্ৰচাৰ কৰিলে যে মণিটো হেৰুৱাই তেওঁ একেবাৰে মৰ্মাহত।

কথাটো শুনি কৃষ্ণ তল যাওঁ যাওঁ হ'ল। সত্ৰাজিতে কিয় তেওঁৰ নামত এই অপবাদ ৰটিলে, বহু ভাবিও তাৰ কাৰণ বিচাৰি উলিয়াব নোৱাৰিলে কৃষ্ণই। কিন্তু--একো কাৰণ নোহোৱাকৈ সত্ৰাজিতে এনেকুৱা এটা বিষম কথা প্ৰচাৰ কৰা বুলিও ভাবিব নোৱাৰিলে কৃষ্ণই। সত্ৰাজিত আন যিয়েই নহওক--মিছলীয়াতো নহয়।

এই অৱস্থাত কি কৰা উচিত--কৃষ্ণই ভাবি নাপালে। কৃষ্ণই গণেশক ক'লে, "হে বিঘ্নেশ্বৰ, এইবোৰ যে তোমাৰেই লীলা, সেই কথা মই নুবুজা নহয়। এতিয়া কি কৰিবা সেই কথাও তুমিহে জানা।"

গণেশক এই বুলি কৈ স্যমন্তকমণি বিচাৰি কৃষ্ণই তাৰ পাছত অটব্য অৰণ্যলৈ বুলি খোজ ল'লে।

প্ৰকৃত ঘটনা আছিল এয়ে যে--সত্যভামাৰ সৈতে শতধ্বনৰ বিবাহ হোৱাৰ কথা আছিল। সত্ৰাজিতে তেওঁৰ ভায়েক প্ৰসেনজিতক পঠিয়াইছিল বিবাহৰ কথা বতৰা খাটাং কৰিবলৈ। প্ৰসেনজিতে স্যমন্তকমণি ধাৰণ কৰি অৰণ্যৰ মাজেদি গৈ থাকিল। তেতিয়া এটা সিংহই এই মণিটো হস্তগত কৰিবলৈ প্ৰসেনজিতক মাৰি পেলালে। তাৰ পাছত জাম্বৱন্তই মাৰি পেলালে সিংহটোক-এই স্যমন্তকমণিটোৰ



কাৰণে । সিংহটোক মাৰি, মণিটো জাম্বৱন্তই তাৰ জীয়েকক দিলে ।

ইপিনে--ভায়েক প্ৰসেনজিৎ উভতি নহা দেখি সত্ৰাজিত উদ্বিগ্ন হৈ উঠিল । তাৰ পাছত তেওঁ প্ৰচাৰ কৰিলে যে, কৃষ্ণই তেওঁৰ ভায়েকক হত্যা কৰি স্যমন্তকমণি অপহৰণ কৰিলে ।

সত্যভামাক বিয়া কৰাবলৈ বহুতেই আগ্ৰহী হৈছিল । এই বিবাহেচ্ছুক সকলৰ মাজত শতধ্বন, জৰাসন্ধ আদি সত্ৰাজিতৰ সমৰ্থনত থিয় দিলে । তেওঁলোকে কৃষ্ণক অপদস্থ কৰাৰ কথাত একমত হ'ল ।

শতধ্বন, জৰাসন্ধ প্ৰমুখই সত্ৰাজিতক নিশ্চিন্ত হ'বলৈ অনুৰোধ কৰিলে । তেওঁলোকে ক'লে যে, তেওঁলোকে যেনেতেনে কৃষ্ণৰ কবলৰপৰা সত্ৰাজিতৰ প্ৰাণতকৈয়ো মৰমৰ মণিটো উদ্ধাৰ কৰি আনি দিবহি ।

স্যমন্তকমণি বিচাৰি বিচাৰি কৃষ্ণই বিচাৰি পালে প্ৰসেনজিতৰ মৃতদেহ । তাৰ পাছত কৃষ্ণই মৃত সিংহটোকো দেখা পালে । সিংহটোৰ মৃতদেহৰ কাষত আন এটা ভৰিৰ ছাপ দেখা পাই, সেই ভৰিৰ ছাপৰ পম খেদি গৈ গৈ এসময়ত কৃষ্ণ জাম্বৱন্তৰ গুহা পালেগৈ ।

তাত, জাম্বৱন্তৰ গুহাত এগৰাকী অপূৰ্ব সুন্দৰী যুৱতীক দেখা পালে কৃষ্ণই । কৃষ্ণই বুজি পালে যে এই যুৱতীগৰাকী হ'ল জাম্বৱতী । জাম্বৱতীয়ে তেতিয়া স্যমন্তকমণিটো লৈ খেলি আছিল । এই জাম্বৱতীক জাম্বৱন্তই অৰণ্যৰপৰা বুটলি আনিছিল । বুটলি অনা এই অপৰূপ সুন্দৰী ছোৱালীজনীক জাম্বৱন্তই অতি আদৰ-সাদৰেৰে তুলি-তালি ডাঙৰ দীঘল কৰিছিল এই অৰণ্যৰ মাজত ।

স্যমন্তকমণিটো কাঢ়ি ল'বলৈ কৃষ্ণই জাম্বৱতীৰ হাতত ধৰিলে । জাম্বৱতীয়ে কৃষ্ণৰ হাতৰপৰা মুক্তি পাবলৈ চেষ্টা কৰিও ব্যৰ্থ হ'ল । এনেতে জাম্বৱন্তো গুহাত উপস্থিত হ'লহি । জাম্বৱন্তই কৃষ্ণক বধিবলৈ অস্ত্ৰ হাতত ল'লে । কৃষ্ণই চকুৰ পচাৰ নৌপৰোঁতেই জাম্বৱন্তৰ বুকুলৈ ভুকুৱালে । ভুকু খায়েই জাম্বৱন্তই বুজি পালে যে স্বয়ং শ্ৰীৰামচন্দ্ৰইহে কৃষ্ণৰ অৱতাৰৰূপে পুনৰ্ আৱিৰ্ভূত হৈছেহি ।

জাম্বৱন্তই অস্ত্ৰপাট দলিয়াই পেলাই কৃষ্ণক প্ৰণাম কৰি ক'লে, "হে কৃষ্ণ ! তুমি যেহেতু জাম্বৱতীৰ হাতত ধৰিছা, সিহেতুকে জাম্বৱতীক মই এতিয়া তোমাৰ হাতে অৰ্পণ কৰিলোঁ ।" এই বুলি কৈ

জাম্বৱন্তই কৃষ্ণৰ হাতলৈ স্যমন্তকমণি অৰ্পণ কৰিলে।

জাম্বৱতীক আৰু লগতে জাম্বৱন্তকো লৈ কৃষ্ণ দ্বাৰকালৈ উভতি আহিল । কৃষ্ণই সত্ৰাজিতক স্যামন্তকমণিটো দিলে আৰু জাম্বৱন্তই সত্ৰাজিতক সকলো ঘটনাৰ কথা ভাঙি পাতি ক'লে ।

সকলো কথা শুনাৰ পাছত নিজৰ ভুল বুজিব পাৰি সত্ৰাজিত কৃষ্ণৰ ওচৰলৈ গ'ল আৰু ক'লে, "হে কৃষ্ণ ! মই মোৰ ভুল স্বীকাৰ কৰিছোঁ । এতিয়া তুমি মোক কঠিন শাস্তি দিয়া আৰু প্ৰতিশোধ লোৱাঁ ।"

কৃষ্ণই হাঁহি মাৰি ক'লে, "তুমি যে নিজৰ ভুল তথা অপৰাধ স্বীকাৰ কৰিছা, অনুতাপ প্ৰকাশ কৰিছা, তাৰ কাৰণে মই তোমাক বাস্তৱিকতে শলাগিছোঁ ।"

তাৰ পাছত সত্ৰাজিতে কৃষ্ণক প্ৰস্তাৱ দিলে সত্যভামাক গ্ৰহণ কৰিববলৈ । আৰু স্যমন্তকমণিটিও সত্ৰাজিতে তেতিয়া কৃষ্ণৰ হাতলৈ অৰ্পণ কৰিলে ।

কৃষ্ণই সত্যভামাক গ্ৰহণ কৰি স্যমন্তক মণিটো সত্ৰাজিতক ওভোতাই দিলে । তেতিয়া, সত্যভামাই আনন্দিত হৈ তাইৰ দেউতাকক লাহেকে ক'লে, "এতিয়া দেখিলানে দেউতা, স্যমন্তক-মণিতকৈ মোৰ মূল্য যে বেছি সেই কথা প্ৰমাণ হৈ গ'ল ।"

তাৰ পাছত সত্যভামাই আকৌ ক'লে, "দেউতা, তুমি এসময়ত বিঘ্নেশ্বৰলৈ উপেক্ষা প্ৰদৰ্শন কৰি কিবাকিবি কৈছিলা যে মনত পৰিছেনে এতিয়া ? মই কিন্তু সদায় বিঘ্নেশ্বৰলৈ শ্ৰদ্ধা পোষণ কৰি আহিছোঁ আৰু সেয়েহে, মই মোৰ ইচ্ছা পূৰ্ণ কৰিব পাৰিছোঁ ।"

এই বুলি কৈ তাই আকৌ মহাগণাধিপতি বিঘ্নেশ্বৰক সুঁৱৰিলে ।

তেতিয়া বিঘ্নেশ্বৰ আকাশত দেখা দিলে। বিঘ্নেশ্বৰে সত্যভামাক ক'লে, "সত্যৰ প্ৰতি সকলোৱে শ্ৰদ্ধা পোষণ কৰে । প্ৰত্যেক দেৱতায়েই সত্যক প্ৰকাশ কৰে ।"

কৃষ্ণই সত্যভামাক বিবাহ কৰাই সত্যভামাক 'সত্যৱতী' নামেৰে অভিহিত কৰিলে । বিবাহৰ সময়ত কৃষ্ণ আৰু সত্যৱতীৰ ওপৰত আকাশৰপৰা পুষ্পবৃষ্টি হ'ল । সত্ৰাজিতে ভক্তিভাৱেৰে বিঘ্নেশ্বৰলৈ প্ৰণাম কৰি ক'লে, "মোৰ অপৰাধ হৈছিল। মোৰ অপৰাধ ক্ষমা কৰক ।"

কৃষ্ণই বিঘ্নেশ্বৰক প্ৰণাম কৰি ক'লে, "হে বিঘ্নেশ্বৰ, সকলো তোমাৰেই লীলা । তোমাৰ অনুগ্ৰহতেহে মই স্যমন্তকমণিত-কৈয়ো মূল্যৱান সত্যভামাক পালোঁ ।"

কৃষ্ণৰ এই কথাৰ উত্তৰত গণেশে ক'লে,

"স্যামন্তকমণিৰ কাহিনী শ্ৰৱণকাৰীসকল কেতিয়াও কোনো অপযশ-অপবাদৰ সম্মুখীন হ'ব নালাগে।"

কন্যাদান উপলক্ষ্যে সত্ৰাজিতে কৃষ্ণৰ চৰণ ধৌত কৰি আনন্দলাভ কৰিলে। কৃষ্ণৰ সৈতে সত্যভামাৰ বিবাহ বৰ ধূমধামেৰে হৈছিল। কৃষ্ণই সত্যভামাক বিয়া কৰোৱাৰ পাছত জাম্বৱতীকো বিয়া কৰালে।

জাম্বৱতীক বিয়া কৰোৱাৰ পাছত জাম্বৱন্তই কৃষ্ণক ক'লে, "হে কৃষ্ণ, তোমাৰ যেতিয়া ৰামাৱতাৰ আছিল, তেতিয়া মই তোমাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ইচ্ছুক হৈছিলোঁ। তোমাৰ দৰে যোগ্য পাত্ৰক লাভ কৰাৰ বাবে মই জনকৰজাৰ প্ৰতি ঈৰ্ষাপৰায়ণ হৈ পৰিছিলোঁ। এতিয়া তুমি কৃষ্ণৱতাৰ, মোৰ এতিয়া দুয়োটা ইচ্ছা পূৰ্ণ হ'ল। আজি মোৰ জীৱন ধন্য হ'ল।" এইবুলি কৈ তপস্যা কৰিবলৈ জাম্বৱন্ত অৰণ্যলৈ গুচি গ'ল।

কিছুকালৰ পাছত ঈৰ্ষান্বিত শতধ্বনই সত্ৰাজিতক হত্যা কৰি স্যামন্তকমণিটো হস্তগত কৰি পলাই গ'ল। কৃষ্ণই আকৌ সেই মণিটো উদ্ধাৰ কৰি আনি সত্যভামাক দিলে। সত্যভামাই সেই মণিটো ঘূৰাই পাই পিতৃবিয়োগৰ দুখৰ মাজতো কথঞ্চিত সান্ত্বনা লাভ কৰিলে।

তাৰপাছত কৃষ্ণই নিত্ৰবৃন্দ, কালিন্দী, ভদ্ৰ, নাগ্নজিতি, লক্ষণা আদিকৰি আঠ-জনীক বিয়া কৰাই আনন্দময় জীৱনলীলাৰ সাগৰত সাঁতুৰিবলৈ ধৰিলে।

স্যামন্তকমণিৰ প্ৰভাৱত সত্যভামাৰ ঘৰ সোণেৰে পৰিপূৰ্ণ হৈ পৰিল। সত্যভামাৰ ধন-সোণ ঐশ্বৰ্য্যৰ উভৈনদী দেখি কৃষ্ণৰ আটাইকেইগৰাকী পত্নীয়ে, তথা ৰাইজেও ভাবিলে যে, কৃষ্ণই সত্যভামাকহে অধিক ভাল পায়।

কৃষ্ণৰ আঠগৰাকী পত্নীৰ মাজত জাম্বৱতী আছিল আটাইতকৈ অধিক শিক্ষিত। নাৰদে তেওঁৰ বীণা বজাই আকাশপথত ঘূৰি ফুৰোঁতে উচ্ছসিত হাঁহিৰ খলকণি শুনা গ'ল। এই উচ্ছসিত হাঁহি অৱশ্যে বিদ্ৰূপৰ হাঁহিহে আছিল।

নাৰদে অবাক হৈ প্ৰশ্ন কৰিছিল, "কোনে হাঁহিছে? কোনেনো হাঁহিছে? কিয় হাঁহিছে? মোৰ প্ৰশ্নৰ উত্তৰ দিয়া।"

"নাৰদ, তুমি বহুকাল ধৰি বীণা বজাইছা; কিন্তু প্ৰকৃত বীণা বাদন বহুদিন ধৰি শিকিব লাগিব। তোমাৰ বীণা-বাদন শুনিহে মোৰ হাঁহি উঠিল।" কথাবোৰ নাৰদে শুনিলে; কিন্তু কথাবোৰ কোনে ক'লে সেই কথা বুজিব নোৱাৰিলে।

নাৰদে ক'লে, "কিন্তু কাৰপৰা বীণা-বাদন শিকিম মই ?"

এনেতে তাত গণেশ ওলালহি। গণেশে নাৰদক ক'লে, "যদি প্ৰকৃত বীণা বাদন শিক্ষাৰ মন আছে, জাম্ববতীৰপৰা শিকিব পাৰা।" নাৰদে কৃষ্ণৰ অনুগ্ৰহত জাম্ববতীৰপৰা বীণাবাদন শিকিলে।

এদিন কৃষ্ণ ৰুক্মিণী অন্তেষপুৰত আছিল। এনেতে নাৰদ তাত উপস্থিত হ'ল আৰু কৃষ্ণলৈ পাৰিজাত পুষ্প উপহাৰ দিলে। কৃষ্ণই নাৰদৰপৰা পাৰিজাত ফুল লৈ ৰুক্মিণীক দিলে। এই কথা শুনি সত্যভামাৰ অভিমান হ'ল। তেতিয়া কৃষ্ণই স্বৰ্গৰপৰা এজোপা পাৰিজাত ফুলৰ গছ আনি সত্যভামাৰ ঘৰৰ দুৱাৰমুখত পুতি থ'লে। কিন্তু তথাপি সত্যভামাই ভাবিলে যে কৃষ্ণই একমাত্ৰ ৰুক্মিণীকহে নিশ্চয় অধিক ভাল পাইছে।

নাৰদে সত্যভামাক ক'লে, "পুণ্যক ব্ৰত পালন কৰিলে কৃষ্ণক তোমাৰ অধীন কৰিব পাৰিবা।" এই ব্ৰত অনুসাৰে সত্যভামাই কৃষ্ণক নাৰদক দান কৰিলে। নাৰদে কৃষ্ণক কৃষ্ণৰ জোখৰ সমান সোণৰ পৰিবৰ্তে বেচিবলৈ বিচৰাত সত্যভামাই তেওঁৰ ওচৰত থকা আটাইখিনি সোণেৰে কৃষ্ণক জুখিবলৈ চেষ্টা কৰিও ব্যৰ্থ হ'ল। তেতিয়া সত্যভামাই কৃষ্ণক অধীনস্থ কৰিবলৈ ৰুক্মিণীৰপৰা সহায় তথা পৰামৰ্শ প্ৰাৰ্থনা কৰিলে।

ৰুক্মিণীয়ে ক'লে, "চোৱাঁ ভনী, কৃষ্ণক জুখিবলৈ হ'লে সোণেৰে নহ'ব, ভক্তিৰেহে জুখিব লাগিব। ভক্তিভাৱেৰে তুলাচনীত তুলসীৰ পাত এটা দিলে কাম হ'ব।"



সত্যভামাই তুলসী পাত এটা তেওঁৰ চকুৰ পতাত স্পৰ্শ কৰি তুলাচনীত থৈ দিয়াৰ লগে লগেই সেই তুলসীৰ পাতটো কৃষ্ণৰ সমান ওজন হৈ পৰিল।

এই ঘটনাৰ পাছতহে কৃষ্ণৰ বিষয়ে সত্যভামাৰ জ্ঞানোদয় হ'ল। ইমান দিন ধৰি সত্যভামাৰ ওচৰত স্যমন্তকমণিহে আটাইতকৈ মূল্যৱান বস্তু আছিল। এতিয়া বুজিলে আটাইতকৈ মূল্যৱান হ'ল কৃষ্ণ।

কৃষ্ণৰ উপদেশ মতে সত্যভামাই তেওঁৰ ঘৰত থকা আটাইখিনি ধন-সোণ তীৰ্থযাত্ৰী আৰু দুখীয়া লোকসকললৈ বিলাই দিলে আৰু পিতৃ সত্ৰাজিতৰ সোঁৱৰণত ভালেমান ধৰমশালা সাজি দিলে।

কিছুদিনৰ পাছত কৃষ্ণই বলৰামৰ ভনীয়েক সুভদ্ৰাৰ সৈতে অৰ্জুনৰ বিবাহৰ আয়োজন কৰিলে। এই বিবাহত সত্যভামাই সুভদ্ৰালৈ স্যমন্তকমণি উপহাৰ দিলে। আৰু, এইদৰে, স্যমন্তকমণি পাণ্ডৱসকলৰ হাতত পৰিলগৈ।

এই মণি য'তে থাকে, তাতে সোণ উপচি পৰে। এই সোণেৰেই ধৰ্মৰাজ যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞ পাতিছিল। যজ্ঞ সমাপ্ত হোৱাৰ পাছত পাশা খেলি ধৰ্মৰাজ যুধিষ্ঠিৰ হাৰিল, আৰু দ্ৰোপদীৰে সৈতে সকলো হেৰুৱাবলগা হ'ল। এই যজ্ঞ আছিল সকলো অনিষ্টৰ মূল। মহা আড়ম্বৰে সৈতে ৰাজসূয় যজ্ঞ পতাত দুৰ্য্যোধন ঈৰ্ষান্বিত হৈ পৰিছিল। তেতিয়া দুৰ্য্যোধনৰ দৃষ্টি পৰিল দ্ৰোপদীৰ ওপৰত। অৰ্জুনে স্যমন্তকমণি লাভ কৰিলে ; কিন্তু পাণ্ডৱসকলৰ পুৰোহিতে ক'লে, "এই মণি বহু অনৰ্থৰ মূল। এই মণিটোৰ বাবে বহুতো অঘটন ঘটিল। এই মণি যিমান সোনকালে বিসৰ্জন দিব পৰা যায়--সিমানেই সকলোৰে মংগল।"

এই কথা শুনি স্যমন্তকমণিটো অৰ্জুনে দলিয়াই দিয়াৰ লগে লগেই মণিটো ভূগৰ্ভলৈ প্ৰবিষ্ট হ'ল।

পাশাখেলাত পৰাজিত হৈ পাণ্ডৱসকল যেতিয়া অৰণ্যৰ মাজত অনাই-বনাই ফুৰিছিল, তেতিয়া নাৰদে তেওঁলোকক ক'লে, "এই বনবাসৰপৰা উদ্ধাৰ পোৱাৰ একমাত্ৰ উপায় হ'ল বিঘ্নেশ্বৰক সুঁৱৰি অজ্ঞাতবাসলৈ যাত্ৰা।"



উপকাৰী

শঙ্খবৰ গাঁৱত ৰতন নামৰ এজন মানুহ আছিল । সি সৰু থাকোতেই তাৰ মাক দেউতাকৰ মৃত্যু হয়, সেয়েহে আইতাকেই তাক তুলি-তালি ডাঙৰ দীঘল কৰে । তাৰ বয়স বিশ বছৰ ; কিন্তু একেবাৰেই কাম-বন কৰিব নোখোজে । সি বহি বহি মাথো দিবা-স্বপ্ন দেখে যে, ভাগ্যদেৱী তাৰ ওপৰত কোনোবা এদিন সুপ্ৰসন্ন হব আৰু এদিন সি ধনী মানুহ হব ।

আইতাকে গাঁৱৰে দুই-তিনি ঘৰ মানুহৰ কাপোৰ ধোৱা আৰু বাচন মজা কাম কৰে । সেই কাম কৰি যি টকা পাই বুঢ়ীয়ে কোনোমতে ঘৰ চলায় । এবাৰ বুঢ়ী বেমাৰত পৰাত নাতিয়েকক মাতি আনি কলে, "ৰতন, এতিয়া মোৰ গা ভাল নহয়, কাম কৰিব নোৱাৰো । গতিকে তই হাবিৰ পৰা খৰি কাটি আনি বজাৰত বিক্ৰী কৰ গৈ । খৰি বিক্ৰী কৰি যি টকা পাৱ তাৰেই চাৰি-পাঁচদিন চলিব লাগিব ।

ৰতনে উপাই নাপায় আইতাকৰ কথা শুনিব লগা হ'ল । কান্ধত কুঠাৰ লৈ সি হাবিলৈ গ'ল । ৰতনে খৰি কাটি সেইবোৰ বান্ধিব ধৰোতে গছৰ শিপাৰ ওচৰত এডাল লতা জকমকাই থকা দেখিবলৈ পালে । এনেকুৱা জকমকীয়া লতা সি আগতে কেতিয়াও দেখিবলৈ পোৱা নাই । সি লতাডাল টানি চিঙি লৈ আহিল । সি সেইডাল ঘৰলৈ আনি আইতাকক দেখুৱাব।

সি ঘৰলৈ উলতি আহোঁতে বাটৰ কাষত এজনী তিৰোতা লৰচৰ নকৰাকৈ মাটিত পাৰি থকা দেখিবলৈ পালে । তাইৰ ওচৰতে এজন মানুহ দুখ মনে বহি আছিল । ৰতনে মানুহজনৰ ওচৰলৈ আহি তেওঁ এইদৰে দুখ কৰি থকাৰ কাৰণ সুধিলে । তেতিয়া জনা

-কৃষ্ণকুমাৰী-

শুশ্ৰূষা কৰিলে । ধনঞ্জয়ৰ আতিথ্যত সন্তুষ্ট হৈ সাধুয়ে কলে, "মই তোমাৰ মনৰ ইচ্ছা পূৰণ কৰিব পাৰো । কোৱা, তোমাক কি লাগে ?" ধনঞ্জয়ে নিজৰ মনৰ ইচ্ছা প্ৰকাশ কৰি কলে, "প্ৰভু, গাওঁবোৰত যদি চিকিৎসা কেন্দ্ৰ থাকিলহেতেন, ৰোগীবোৰক ঠিক সময়ত উপযুক্ত চিকিৎসা কৰি বচাব পৰা গ'লহেতেন ।"

এই কথা শুনি সাধুৱে হাঁহি মাৰি কলে, "এনে ধৰণৰ চিকিৎসা কেন্দ্ৰ কেৱল ৰজাইহে নিৰ্মাণ কৰিব পাৰে । কাৰণ তেওঁৰ ৰাজভঁৰালত প্ৰচুৰ ধন আছে আৰু প্ৰজাৰ সুবিধাৰ কাৰণে এনে কাম কৰা উচিত ।" কিছু সময় নীৰৱে থাকি সাধুৱে পুনৰ কলে, "তুমি এক কাম কৰিবা । আজিৰ পৰা তিনিদিন পিছত মহাৰাজৰ জন্ম দিন । জন্ম দিনৰ উৎসৱত তুমি ৰজাক এক মূলবান ৰত্ন উপহাৰ দিবা । মই তোমাক বৰ দিলো, তুমি পাথৰকো ৰত্নলৈ ৰূপান্তৰিত কৰিব পাৰিবা। তাৰ পাছত তুমি ৰজাৰ আগত চিকিৎসা কেন্দ্ৰৰ বিষয়ে তোমাৰ মতামত জনাবা । তোমাৰ মনোকামনা নিশ্চয় পূৰ্ণ হব ।"

ধনঞ্জয়ে পত্নীক লগত লৈ ৰাজধানীলৈ বুলি ৰাওনা হ'ল । কিন্তু বাটতে তেওঁৰ পত্নীক সাপে খুটিলে । এতিয়া তেওঁৰ মৰনাপন্ন অৱস্থা ।

ৰতনে ধনঞ্জয়ৰ কথা অতি মনোযোগেৰে শুনিলে । এনেতে ধনঞ্জয়ে ৰতনৰ খৰিৰ ভাৰত চমকিত হৈ থকা লতাডাল দেখিবলৈ পালে ।

লতাডাল দেখিয়েই ধনঞ্জয়ে ৰতনক সুধিলে, "এই আপুৰুগীয়া লতাডাল তুমি

গল যে মানুহজনৰ নাম ধনঞ্জয় । তেওঁ অকল নিজৰ গাঁৱতেই নহয়, ওচৰ-কাষৰৰ গাঁৱতো তেওঁ এজন সুপ্ৰসিদ্ধ বৈদ্য হিচাবে পৰিচিত। চিকিৎসাৰ কাৰণে অহা ৰোগীজন যদি দুখীয়া হয় তেনেহলে তেওঁ কোনো পইচা নোলোৱাকৈ চিকিৎসা কৰে । ৰোগীজন যদি ধনী হয় তেনেহলে তেওঁ নিজ ইচ্ছামতে যি দিয়ে তাতেই তেওঁ সন্তুষ্ট থাকে ।

কেতিয়াবা কেতিয়াবা দূৰ-দূৰণিৰ পৰা অহা ৰোগীৰ বাটতেই মৃত্যু হৈছিল, কাৰণ ঠিক সময়ত ৰোগীয়ে চিকিৎসা পোৱা নাছিল। এই কথালৈয়ে ধনঞ্জয়ৰ মনত বৰ দুখ । তেওঁ ভাবিছিল, যদি প্ৰতিখন গাঁৱতে একোখন চিকিৎসা কেন্দ্ৰ থাকিলহেতেন কিমান সুবিধা হ'লহেতেন ।

এনে সময়তে এজন সাধু সেই গাঁৱলৈ আহিল । ধনঞ্জয়ে সাধুক ভালদৰে সেৱা-

ক'ত পালা ? সেইডাল যদি মোক দিয়া তেনেহলে মই মোৰ পত্নীক মৃত্যুৰ মুখৰ পৰা বচাব পাৰো ।"

"তোমাক যদি এই লতাডাল দিও তাৰপৰা মোৰ কি লাভ হব ?" ৰতনে সুধিলে। "ৰজাক মই ৰত্ন উপহাৰ দিয়াৰ পিছত তেওঁ মোক যি ধন দিব তাৰে আধা মই তোমাক দিম । মই তোমাক কথা দিলো।" ধনঞ্জয়ে কলে ।

ৰতনে মনতে ভাবিলে ৰজাই যিমান ধন দিব সেই গোটেইখিনি নিজৰ কৰি লব পাৰিলে ভাল হয় । সি ধনঞ্জয়ক চৰ্ত দিলে যে লতাডাল দিয়াৰ আগতে এই পাথৰটো ৰত্ন বনাই দিব লাগে । ধনঞ্জয়ে উপাই নাপাই তাকেই কৰিব লগা হল । চাওতে চাওতে পাথৰটো ৰত্নলৈ ৰূপান্তৰিত হৈ গ'ল । ৰতনে ৰত্ন লৈ ঔষধি গুণ থকা লতাডাল ধনঞ্জয়ক দিলে ।

ধনঞ্জয়ে লতাডাল তৎক্ষণাত পানীৰ পাত্ৰ এটাত থৈ দিলে আৰু দুই মিনিটমান পিছত উলিয়াই আনিলে । তাৰ পাছত সেই পানীখিনি তেওঁৰ পত্নীক খুৱাই দিয়াত অলপ পিছতে তেওঁ উঠি বহিল ।

ঘৈণীয়েক জীৱিত হোৱাৰ আনন্দতে ধনঞ্জয়ে ৰতনক কলে, "পৰোপকাৰ কৰা উদ্দেশ্যে ৰজাৰ পৰা ধন লোৱাৰ মোৰ ইচ্ছা আছে । মোৰ একমাত্ৰ উদ্দেশ্য হ'ল ৰোগীৰ কাৰণে চিকিৎসালয় নিৰ্মাণ কৰা । সেয়েহে ৰজাই তোমাক যি ধন দিব তাৰে আধা মোক দিব লাগিব ।"

"দিম, দিম, নিশ্চয় দিম ।" মিছা প্ৰতিশ্ৰুতি দি ৰতন তাৰ পৰা গুচি গ'ল ।"

পত্নী সুস্থ হৈ উঠাত ধনঞ্জয়ো ৰাজধানীলৈ ৰাওনা হ'ল । তেওঁ ভাবিছিল ৰতনে যি ধন ৰজাৰ পৰা উপহাৰ স্বৰূপে পাব তাৰে আধা সেই ঠাইতেই ৰতনৰ পৰা লব । আকৌ যদি সুবিধা মিলে গাঁৱত চিকিৎসালয় নিৰ্মাণ কৰাৰ আৱশ্যকতা সম্পৰ্কে তেওঁ ৰজাক সবিশেষ বুজাই কব ।

ৰাজধানীত উপস্থিত হৈ তেওঁ দেখিবলৈ পালে তাত উৎসৱৰ আয়োজন চলি আছে । দূৰ-দূৰণিৰ পৰা অতিথিবোৰ আহিছে । ৰজাক আশীৰ্বাদ দিবলৈ কিছুমান সাধুও আহিছে । তাৰ ভিতৰত ধনঞ্জয়ক বৰ দিয়া সাধুজনো আহিছে ।

ধনঞ্জয়ৰ লগত ৰতনৰ দুই-তিনিবাৰ দেখাদেখি হ'ল, কিন্তু ৰতনে ধনঞ্জয়ক নামাতিলেই । ৰতনৰ আচৰণৰ পৰা ধনঞ্জয়ে বুজিব পাৰিলে যে তাৰ মনত বেয়া ভাব

আছে। তেওঁ সাধুক গোটেই কথাখিনি কলে।

ৰজাৰ অভিনন্দন সমাৰোহ আৰম্ভ হ'ল। বহুতো সদাশয় ব্যক্তিয়ে ৰজৰ ভূৰি-ভূৰি প্ৰশংসা কৰিলে আৰু জন্মদিন উপলক্ষে ৰজাক অভিনন্দন জনালে । অতিথিসকলে যি উপহাৰ আনিছিল এজন এজনকৈ গৈ ৰজাক অৰ্পন কৰিলে । ৰজায়ো নিজৰ ফালৰ পৰা অতিথিসকলক স্বৰ্ণমুদ্ৰা আৰু মূল্যবান বস্তু উপহাৰ দিলে । ৰতনেও ৰজাক ৰত্ন সমৰ্পন কৰিলে ।

কিন্তু আশ্চৰ্য্যৰ কথা হ'ল সেই ৰত্নটুকুৰা ৰজাৰ হাতত পৰাৰ লগে লগে পাথৰলৈ ৰূপান্তৰিত হ'ল আৰু পিচলি গৈ ৰজাৰ ভৰিত পৰিল । ৰজাৰ ভৰিৰ আঙুলিৰ পৰা তেজ ওলাবলৈ ধৰিলে । ৰজাই খঙতে ৰতনক বন্দী কৰিবলৈ আদেশ দিলে ।

এনে কিয় হ'ল ৰতনে একো বুজিব নোৱাৰিলে । সি ওচৰতে বহি থকা ধনঞ্জয়ৰ ফালে একেথৰে চাই থাকিল । তাৰ দৃষ্টিত প্ৰাণ ভিক্ষাৰ বিনম্ৰ ভাব ফুটি উঠিল ।

কোমল হৃদয়ৰ ধনঞ্জয়ে সাধুৰ ফালে এবাৰ চোৱাত সাধুয়ে আগবাঢ়ি আহি ৰতনক কলে, "ৰতন, তুমি সেই লতাডাল হাবিৰ মাজত পাইছিলা । সেইডালৰ সহায়ত ধনঞ্জয়ৰ পত্নী জীয়াই উঠিল । ইয়াৰ পৰা তুমি সুবিধা লাভ কৰিব বিচাৰিছিলা । ধনৰ আশাত তুমি ধনঞ্জয়ৰ পৰা ৰত্নটুকুৰা লৈছিলা আৰু মনে মনে ভাবিছিলা ৰজাই যি ধন তোমাক দিব তাৰে ভাগ ধনঞ্জয়ক নিদিয়াকৈ তুমি গোটেইখিনি লবা । সেয়েহে তুমি ৰজাৰ পৰা উপহাৰ পোৱাৰ যোগ্য নহয় । গতিকে মই ৰত্নটুকুৰা পাথৰ কৰি দিছিলো ।

ৰতনে কান্দি কান্দি সাধুৰ ভৰিত পৰিল গৈ । অলপ পাছতে পাথৰটুকুৰা ৰত্ন হৈ গ'ল। ৰজাই ৰত্নটুকুৰাৰ প্ৰশংসা কৰিলে । তাৰ পাছত তেওঁ ধনঞ্জয়ৰ পৰা জানিব পাৰিলে যে তেওঁৰ ৰাজ্যত চিকিৎসাৰ সুবিধাৰ অভাৱ ঘটিছে ।

তেতিয়া ৰজাই মন্ত্ৰীক মাতি আনি ৰাজ্যৰ প্ৰতিখন গাঁৱতে একোখনকৈ চিকিৎসালয় স্থাপন কৰা আদেশ দিলে । সেই চিকিৎসালয়বোৰ পৰ্যবেক্ষণ কৰাৰ দায়িত্ব ধনঞ্জয়ৰ হাতত অৰ্পণ কৰিলে । লগতে ৰজাই ৰতনকো চাকৰি দিলে । কাৰণ তাৰ লোভৰ পৰা প্ৰজাসকলৰ হিত সাধন হৈছিল।

বেপাৰীৰ দায়িত্ব

কঠিয়াপুৰ গাঁৱত নাৰায়ণ নামৰ এজন বেপাৰী বাস কৰিছিল । ব্যৱসায়ত প্ৰতিষ্ঠা লাভ কৰি তেওঁ বহুত ধন অৰ্জন কৰিছিল । গাঁৱৰ মানুহে তেওঁক খুব সন্মান কৰিছিল । এদিন তেওঁ হঠাতে ভাবিলে যে মই এতিয়া বুঢ়া হৈছো, গতিকে ব্যৱসায়ৰ দায়িত্ব তিনিজন পুত্ৰৰ ভিতৰত কোনোবা এজনক দিয়াই উচিত হব । এদিন তেওঁ তিনিওজন পুত্ৰকে তেওঁৰ ওচৰলৈ মাতি আনি কলে, "চোৱা, মই মোৰ ব্যৱসায়টো তোমালোক তিনিওৰে ভিতৰত ভাগ নকৰি তোমালোকৰ ভিতৰত কোনোবা এজনক দিব বিচাৰিছো । ব্যৱসায় চলাবলৈ যোগ্যতাৰ প্ৰয়োজন । তোমালোক তিনিওৰে ভিতৰত কোন যোগ্য, সেইটো জানিবলৈকে এটা সামান্য পৰীক্ষা লম । এই বিষয়ে তোমালোকৰ কিবা কবলগা আছে নেকি ?"

তিনিও পুত্ৰই পিতাকৰ প্ৰস্তাৱ মানি ললে । তেতিয়া নাৰায়ণে পকেটৰ পৰা তিনিটা এটকাৰ মুদ্ৰা উলিয়াই লৈ এজনক একোটাকৈ মুদ্ৰা দি কলে, "এই টকাটো লোৱা আৰু সূৰ্য্য অস্তযোৱাৰ আগতে কিবা ভাল কাম কৰি দেখুৱাব লাগিব ।"

কোনো কথা নোকোৱাকৈ তিনিও তাৰপৰা গুচি গ'ল । তিনিও পুত্ৰই পিতাকক খুব ভাল পাইছিল আৰু পিতাকৰ কথা মানি চলিছিল ।

সন্ধিয়া নাৰায়ণে বজাৰৰ পৰা ঘূৰি আহি দেখিবলৈ পালে তিনিও পুত্ৰই তেওঁ অহালৈকে অতি ব্যগ্ৰ ভাবে অপেক্ষা কৰি আছে । প্ৰথমতে তেওঁ ডাঙৰ পুত্ৰ সোমেশ্বৰক মাতি নি সুধিলে, "কোৱাচোন, তোমাক যে টকাটো দিছিলো তাৰ দ্বাৰা তুমি কি ভাল কাম কৰিলা ?"

ঈশ্বৰৰ

সোমেশ্বৰে কলে, "ৰাম মন্দিৰৰ ওচৰত ভোকতে কলমলাই থকা এজনী বুঢ়ী দেখিবলৈ পালো। তেতিয়া মই বুঢ়ীক টকাটো দি তাৰে কিবা বস্তু কিনি খাই ভোক গুচাবলৈ কলো। ভোকাতুৰক খাবলৈ দিয়াতো ভাল কাম নহয়নে ?"

নাৰায়ণে এটা মিচিকিয়া হাঁহি মাৰি দ্বিতীয় পুত্ৰ ৰামবন্ধক মাতি সুধিলে, "কোৱাচোন, তুমিনো কি ভাল কাম কৰিলা ?"

ৰামব্ৰহ্মাই গৰ্বিতভাবে কলে, "আমাৰ যাতে ব্যৱসায়ৰ আৰু বেচি উন্নতি হয়, সেই উদ্দেশ্যে মই মন্দিৰলৈ গৈ পূজাৰীক টকটো দি মন্দিৰত পূজা দিবলৈ কৈছো।"

তাৰপাছত নাৰায়ণ তৃতীয় পুত্ৰ লক্ষ্মণক মাতি নি সুধিলে, "তুমিনো কি ভাল কাম কৰিলা? টকাটো কেনেদৰে খৰছ কৰিলা?"

লক্ষ্মণে কোনো কথা নোকোৱাকৈ মোনাৰ পৰা টকাটো উলিয়াই পিতাকৰ সন্মুখত ৰাখিলে। তেতিয়া পিতাকে কলে, "তাৰমানে তুমি টকাটো. ় একোৱে কৰা নাই। মাথোঁ মোনাত সোমাই ৰাখিছা।"

লক্ষ্মণে এটা হাঁহি মাৰি কলে, "মই জানো যে এনেয়ে টকা খৰছ কৰাতো আপুনি পছন্দ নকৰে। কিন্তু মই খৰছো কৰিছো ভাল কামো কৰিছো। লগতে মই আপুনি দিয়া টকাটো ঘূৰাইও দিছো।"

কিন্তু নাৰায়ণে ইয়াৰ অৰ্থ একো বুজি নাপালে।

তেতিয়া লক্ষ্মণে বুজাই কলে, "পিতা, আপুনি যিটো টকা দিছিল তাৰে মই তিনিটা কোমোৰা কিনিলো। তাৰ পাছত সেই তিনিটা বজাৰলৈ লৈ গৈ গ্ৰাহকৰ ওচৰত দুটকাত বিক্ৰী কৰিলো। যি এটকা লাভ হ'ল তাৰে পঞ্চাশ পইচাৰে বিস্কুট কিনি আনি এটা ভিখাৰী ল'ৰাক খাবলৈ দিলো আৰু বাকী পঞ্চাশ পইচা মন্দিৰত থকা দান পাত্ৰটোত সোমাই দিছো। এতিয়া আপুনি দিয়া টকাটো আপোনাক ওভটাই দিছো।"

সৰু পুতেকৰ দূৰদৃষ্টি, বুদ্ধি আৰু দয়াভাব দেখি নাৰায়ণ আচৰিত হ'ল, লগতে পুতেকৰ কাম দেখি অতি আনন্দিতও হ'ল। তেওঁ অলপো পলম নকৰাকৈ ব্যৱসায়ৰ সম্পূৰ্ণ দায়িত্ব সৰু পুত্ৰ লক্ষ্মণৰ হাতত অৰ্পণ কৰিলে।

জ্ঞান পঠোৱাৰ কাহিনী

চিত্ৰপুৰী নামৰ এখন সৰু ৰাজ্য আছিল । যুৱৰাজ চিত্ৰবৰ্মাই সেই ৰাজ্যৰ সিংহাসনত উঠাৰ কেইদিনমানহে হৈছে । ৰাজ্যৰ শাসনভাৰ চলোৱাৰ দক্ষতা যুৱৰাজৰ নাছিল বুলিয়েই ধৰিব পাৰি, কিন্তু তেওঁৰ যোগ্য আৰু বুদ্ধিমান মন্ত্ৰীসকলৰ সহায়ত তেওঁ ভালদৰেই ৰাজ্য শাসন কৰিছিল ।

চিত্ৰপুৰী ৰাজ্যৰ সীমাতে অঙ্গৰাজ্য নামৰ আন এখন ৰাজ্য আছিল । অঙ্গৰাজ্য সকলো ফালৰ পৰাই চিত্ৰপুৰীতকৈ ডাঙৰ আছিল । বৰ্দ্ধন সেই ৰাজ্যৰ ৰজা আছিল । বহুদিনৰ পৰাই তেওঁৰ চকু আছিল চিত্ৰপুৰীৰ ওপৰত । কেনেকৈনো সেই ৰাজ্যখন নিজৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিব পাৰি তাৰেই চেষ্টাত আছিল । বৰ্দ্ধনৰ পিতৃৰো সেইটোৱে ইচ্ছা আছিল । কিন্তু তেওঁৰ জীৱন কালত সেই ইচ্ছা পূৰণ কৰিব নোৱাৰিলে । বৰ্দ্ধনে ভাবিলে চিত্ৰপুৰী আক্ৰমণ কৰাৰ এইটোৱে সময় । কাৰণ, নতুনকৈ সিংহাসনত উঠা যুৱৰাজ ৰাজ্য শাসনৰ ক্ষেত্ৰত অভিজ্ঞ নহয় আৰু ৰাজনীতি সম্পৰ্কে তেওঁ সম্পূৰ্ণ অপৰিচিত।

বৰ্দ্ধনে এদিন তেওঁৰ মন্ত্ৰীসকলক মাতি আনি তেওঁলোকৰ পৰা পৰামৰ্শ বিচাৰিলে । ৰজাৰ ইচ্ছাৰ কথা জানিব পাৰি তেওঁলোকে মনৰ আনন্দ প্ৰকাশ কৰি কলে, "আপুনি ঠিক কথাই ভাবিছে। এই সময়ত চিত্ৰপুৰী আক্ৰমণ কৰিলে জয় লাভ কৰাৰ সম্ভৱনা আছে । কিন্তু এইক্ষেত্ৰত আমি খৰখেদা কৰা উচিত নহব । প্ৰথমতে আমি শত্ৰুপক্ষৰ শক্তি সম্পৰ্কে জানি লব লাগিব, সেয়া লাগে বুদ্ধি বল তথা সেনাবলেই হওঁক । ইয়াক নজনাকৈ যুদ্ধ কৰিবলৈ আগবঢ়াতো বুদ্ধিমানৰ কাম নহব । সেয়েহে প্ৰথমতে তাৰ পদাধিকাৰী-সকলৰ বুদ্ধি কৌশলৰ পৰীক্ষা লব লাগিব ।"

তেতিয়া বৰ্দ্ধনে মন্ত্ৰীসকলক কলে যে, কেনেকৈ পৰীক্ষা লোৱা যাব সেই বিষয়ে আপোনালোকেই সিদ্ধান্ত কৰিব লাগিব । মন্ত্ৰীসকলে এই বিষয়ে বহুতো আলোচনা কৰাৰ পিছত এখন পত্ৰ লিখি বৰ্দ্ধনক সেই পত্ৰখন প্ৰদান কৰি কলে, "এই পত্ৰখন আপুনি চিত্ৰবৰ্মাৰ ওচৰলৈ পঠাই দিয়ক । ইয়াৰ উত্তৰ পোৱাৰ পিছত আমি সিদ্ধান্ত কৰিম আগলৈ আমি কি কৰিব লাগিব । সেই পত্ৰখনৰ বিষয় আছিল--"আপুনি

আপোনাৰ ৰাজ্যৰ পৰা জ্ঞান পঠাই দিয়ক।"

অঙ্গৰাজ্যৰ ৰাজদূতে গৈ চিত্ৰবৰ্মাক চিঠিখন দিলে। চিঠিখন পঢ়ি তেওঁ আচৰিত হ'ল। চিঠিখন তেওঁ মন্ত্ৰীসকলকো দেখুৱালে। চিঠিখন পঢ়ি তেওঁলোকো আচৰিত হ'ল। সকলোৰে বৰ্দ্ধনৰ চিঠিৰ বিষয় বস্তু আচৰিত লাগিল। বস্তু, অথবা কোনো সামগ্ৰী পঠাব পাৰি, কিন্তু জ্ঞান পঠোৱা কেনেকৈ সম্ভৱ? কোনো অদৃশ্য বস্তু পঠাব পাৰিনে?

চিঠিৰ ৰহস্যৰ কথা মন্ত্ৰীসকলেও যেতিয়া ধৰিব নোৱাৰিলে চিত্ৰবৰ্মাৰ মনত অলপ চিন্তা লাগিল। তেতিয়া সকলোতকৈ কম বয়সীয়া মন্ত্ৰী, বৃহস্পতিয়ে থিয় হৈ কলে, "মহাৰাজ, ইয়াৰ উত্তৰ দিবলৈকে মোক চাৰি মাহ সময় দিয়ক। ৰজা বৰ্দ্ধনে যি জ্ঞান পঠোৱাৰ কথা কৈছে, সেই জ্ঞান মই পঠাম। কিন্তু এটা চৰ্ত আছে, এই চাৰি মাহৰ ভিতৰত আপুনি এই বিষয়ে মোক কোনো প্ৰশ্ন কৰিব নোৱাৰিব।" চিত্ৰবৰ্মাই আনন্দমনে এই চৰ্ত মানি ললে। তাৰ পাছত তেওঁ বৰ্দ্ধনলৈ এইবুলি চিঠি লিখিলে, "আপোনাৰ ইচ্ছা অনুসাৰে আপোনালৈ জ্ঞান পঠাম। কিন্তু ইয়াৰ কাৰণে চাৰিমাহ সময় লাগিব।"

চাৰিমাহ সময় সমাপ্ত হোৱাৰ ঠিক আগতে বৃহস্পতিয়ে এখন বৰ ডাঙৰ মোনা লৈ ৰজাৰ ওচৰত উপস্থিত হ'ল। সেই সময়ত অন্যান্য মন্ত্ৰীসকলো তাত উপস্থিত আছিল। বৃহস্পতিয়ে মোনাখন ৰজাক দেখুৱাই কলে, "মহাৰাজ, বৰ্দ্ধনে যি জ্ঞান বিচাৰিছে এই মোনাৰ ভিতৰতে আছে। এই মোনাখন ৰজা বৰ্দ্ধনৰ ওচৰলৈ পঠাই দিয়ক। কিন্তু এটা কথাত সাৱধান হ'ব লাগিব, মোনাখনত যাতে আঘাত নালাগে।" অতি সাৱধানে মোনাখন বন্ধা আছিল। কোনেও নাজানে সেই মোনাখনতনো কি আছে। ৰজাইও কোনো প্ৰশ্ন নকৰাকৈ মোনাখন অঙ্গৰাজ্যলৈ পঠাই দিলে।

বৰ্দ্ধনে তেওঁৰ মন্ত্ৰীসকলৰ সৈতে অতি সাৱধানে মোনাখন খুলিলে। তাৰ ভিতৰত মাটিৰ এটা গাগৰী আছিল। তাৰ ওপৰত এখন পাতল ঢাকনী আছিল। তাৰ ভিতৰত এটা ডাঙৰ কোমোৰা আছিল। সেই কোমোৰাটোৱে গোটেই গাগৰীটো আগুৰি আছিল। তাত অকনো খালী ঠাই নাছিল। ঠাৰিডাল মাথো বাহিৰত ওলাই আছিল। গাগৰীটোৰ কোনো ঠাইতে ফুটা নাছিল। সম্পূৰ্ণ নতুন আছিল। সেইটো দেখি ৰজা আৰু মন্ত্ৰীসকল আচৰিত হ'ল। সেই গাগৰীটোত এখন চিঠি বন্ধা আছিল। অতি উৎকণ্ঠাৰে ৰজাই চিঠিখন খুলিলে। তাত লিখা আছিল--"ৰজা বৰ্দ্ধনে বিচৰা অনুসাৰে জ্ঞান পঠাইছো। এই গাগৰীটোতে জ্ঞান আছে। গাগৰীটো নভঙাকৈ কোমোৰাটো উলিয়াই আনক। এই উপহাৰ পোৱাৰ কথাটো আমাক অৱগত কৰাব।"

তাত উপস্থিত থকা সকলোৱে ইজনে সিজনৰ মুখলৈ চাবলৈ ধৰিলে। তেওঁলোকে বুজিব পৰা নাই ইমান সৰু মুখৰ গাগৰীটোত কেনেকৈ ইমান ডাঙৰ কোমোৰাটো সোমাল? ওলোটাই তেওঁ আমাক হে প্ৰত্যাহ্বান জনাইছে। গাগৰীটো নভঙাকৈ কোমোৰাটো বাহিৰ উলিয়াই আনিব লাগে। তেওঁৰ মতে এয়েই হ'ল 'জ্ঞান'। এই কাম একেবাৰে অসম্ভৱ।

সকলোৱে মৌন হৈ তললৈ মূৰ কৰিলে। তেতিয়া বৰ্দ্ধনে তাত উপস্থিত থকা সকলোকে কলে, "আমি ভাবিছিলো তেওঁলোক বুদ্ধিহীন। কিন্তু এই ঘটনাই প্ৰমান কৰি দিলে যে আমাৰ শত্ৰু আমাতকৈ বেচি বুদ্ধিমান। গতিকে তেওঁলোকৰ লগত শত্ৰুতা নকৰি বন্ধুত্ব স্থাপন কৰাই বুদ্ধিমানৰ কাম হব। তাৰপাছত তেওঁ চিত্ৰবৰ্মালৈ এইবুলি পত্ৰ লিখিলে "আপুনি পঠোৱা উপহাৰ আমি পালো। উপহাৰ দেখি আপোনাৰ প্ৰশংসা নকৰাকৈ থাকিব নোৱাৰিলো। আপোনাৰ সৈতে বন্ধুত্ব স্থাপন কৰাৰ মোৰ প্ৰবল ইচ্ছা। আপোনাৰ সহযোগৰ প্ৰতীক্ষা কৰিলো। আপোনাৰ মিত্ৰ, বৰ্দ্ধন।"

এই পত্ৰ পঢ়ি ৰজা চিত্ৰবৰ্মা অতি আনন্দিত হ'ল। কিন্তু তেওঁ বুজিব পৰা নাই বৰ্দ্ধনে বিচৰা জ্ঞান কেনেদৰে পঠোৱা হ'ল। তেওঁ মন্ত্ৰী বৃহস্পতিক মাতি আনি ধন্যবাদ জনাই সুধিলে, "মন্ত্ৰীবৰ, আপোনাৰ এই কামে মোৰ গৌৰৱ চাৰিওফালে বিয়পাই দিছে। আপুনি বাৰু এনে কি কাম কৰিলে যাৰ কাৰণে শত্ৰুয়েও বন্ধুত্বৰ হাত আগবঢ়াব লগা হ'ল?"

তেতিয়া বৃহস্পতিয়ে গোটেই কথাখিনি বিবৰি কলে, "মই কোনো ডাঙৰ কাম কৰা নাই। চাৰিমাহ আগতে মই এডাল কোমোৰা গছ ৰুইছিলো। অলপ দিনৰ ভিতৰতে সৰু সৰু জালি ওলাবলৈ ধৰিলে। তাৰে এটা কোমোৰৰ জালি এটা মাটিৰ গাগৰীৰ ভিতৰত সোমাই দি ভালদৰে চোৱাচিতা কৰিবলৈ ধৰিলো। কোমোৰাটো ডাঙৰ হৈ যেতিয়া গোটেই গাগৰীটো আগুৰি ধৰিলে মই সেইটো চিঙি আনি অতি সাৱধানে মোনাৰ ভিতৰত সোমাই দিলো। তাৰ পাছত সেইটো আপোনাৰ যোগেদি ৰজা বৰ্দ্ধনলৈ পঠাই দিয়া হ'ল। তাৰ ভিতৰত এখন চিঠি লিখি দিছিলো- "গাগৰীৰ ভিতৰত জ্ঞান আছে। গাগৰীটো নভঙাকৈ সেই জ্ঞান উলিয়াই আনক। ইয়াৰ পিছতে উত্তৰ আহিল। সেয়া আপুনিতো জানেই।"

Chandamama presents
22
অজেয় গৰুড়
চিত্ৰ : পাণি
ৰজা মহেন্দ্ৰবৰ্মাই নৱেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰ ৰবীন্দ্ৰদেৱক দেশদ্ৰোহী বুলি ঘোষণা কৰিলে । আদিত্যই সৰ্পদেশলৈ যাত্ৰা কৰিলে, য'ত তেওঁলোক দুজন থকা বুলি বিশ্বাস কৰা হয় । এহাল আদিবাসী যুৱক যুৱতীক তেওঁৰ ওচৰলৈ লৈ অহা হ'ল । যুৱতী আদিবাসী মুখীয়াৰ জীয়েক আৰু যুৱকজনৰ নামো আদিত্য, যাক নাগব বলি দিবলৈ বিচাৰি আছে । তেওঁলোক দুয়ো গুহাবপৰা পলাব জোতেই ধৰা পৰে । আদিত্যই জানিব পাৰিলে তান্ত্ৰিকে তেওঁ আছে আদিবাসী যুৱক আদিত্যক নহয় ।
আদিবাসী দম্পতিৰ আচৰিত লাগিল । যুৱতীয়ে আদিত্যক সাৱধান কৰি দিলে যে তান্ত্ৰিক অলৌকিক শক্তি প্ৰাপ্ত । তেওঁ ইয়াকো কলে যে নৱেনদ্ৰেদেৱৰ মানুহে তান্ত্ৰিকক আদিত্যৰ বিষয়ে জনাইছে । ইয়াৰ দ্বাৰা আদিত্য সাৱধান হৈ গ'ল ।
নৱেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰ তান্ত্ৰিকৰ অতিথি । সেনাপতি আৰু তেওঁৰ মানুহে আপোনাক বন্দী কৰিব খুজিছে, মহাশয় !
নৱেন্দ্ৰদেৱ! তেওঁ ক'ত আছে ? মোক সোনকালে কোৱা!

মই শুনিবলৈ পাইছো আজি ৰাতিয়েই তেওঁলোক যাব ।
পাহাৰৰ তলত থকা নাৱত উঠি আনটো পাৰলৈ যাব ।
মোৰ মানুহে গৈ পাহাৰৰ তলত তেওঁলোকক প্ৰতীক্ষা কৰিব ।
আদিত্যই নিজৰ শিৱিৰতে এক ৰণনীতি প্ৰস্তুত কৰিলে ।
আদিবাসী দম্পতিয়ে আমাৰ মানুহবোৰক পথ দেখুৱাই দিব পাৰিব ।
তেওঁলোকে তালৈ যাবলৈ হলে গুপ্ত পথেৰে যাব লাগিব ।
তাত কোন আছে ?
মই তোমালোকৰ সহায়ৰ কাৰণে আহিছো। এই বলি শেষ হৈ যাব ।
আদিতাই কিছুমান আদিবাসীৰ লগত দেখা কৰিলে । তেওঁলোক তান্ত্ৰিকৰ ওপৰত অসন্তুষ্ট ।
নাগবন্ধুৰ ওচৰলৈ যাবলৈ হলে তোমালোকে আমাক সহায় কৰিবই লাগিব ।
আমি আপোনাক সেই মন্দিৰলৈ লৈ যাম, য'ত বলি দিয়া হয় ।

তোমালোকৰ কিছুমানে গৈ অগ্নিকুণ্ড প্ৰজ্বলিত কৰি তাৰ চাৰিওফালে নাচিবলৈ ধৰা। তেতিয়া তান্ত্ৰিক বাহিৰলৈ আহিব।
আদিবাসীসকল আনন্দত বিভোৰ হ'ল।
তেওঁ আমাৰ ৰক্ষক।
নৰেন্দ্ৰদেৱ নিজৰ মানুহবোৰৰ সৈতে যাবলৈ সাজু হ'ল।
যোৱাৰ আগতে মই তান্ত্ৰিকক দেখা কৰিব খোজো আৰু তেওঁক চন্দ্ৰ-পুৰীলৈ যাবলৈ আমন্ত্ৰণ জনাব খোজো।
কিন্তু নৰেন্দ্ৰদেৱ নিৰাশ হ'ল।
তেওঁ বিশ্ৰাম লৈ আছে, তেওঁক আমনি কৰিব নোৱাৰা। চিন্তা নকৰিবা, মই তেওঁক চন্দ্ৰপুৰীলৈ লৈ যাম।
মোৰ সন্দেহ এই অভিশাপ গকড়ৰেই হব।
নৰেন্দ্ৰদেৱৰ পথ ৰক্ষণ আদিবাসীৰ মুখীয়াই নিজেই কৰিছে।
এতিয়া আমি ক'ত?
এইটো পাহাৰৰ তললৈ যাবলৈ এটা সৰু পথ। আমি অতি সোনকালে গৈ পাম।

আদিতাই কিছুমান নিজৰ মানুহক আদিবাসী দম্পতিৰ সৈতে পঠাই দিলে, যিয়ে তেওঁলোকক গুপ্ত পথেৰে লৈ যাব ।
গুহা মন্দিৰৰ বাহিৰত গীত আৰু নাচৰ শব্দত তান্ত্ৰিক নাগবন্ধু সাৰ পাই উঠিল ।
অগ্নিকুণ্ড প্ৰজ্বলিত হৈ আছে । তেওঁলোক আৰু বেচি আনন্দিত হব যেতিয়া আদিত্যক বলি দিয়া হব ।
নৰেন্দ্ৰদেৱ আৰু আদিবাসীসকলক লৈ যাবলৈ এখন সুসজ্জিত নাও সাজু হৈ আছে । নাওখন যেতিয়াই চলিবলৈ ধৰিলে...
সাৱধান ! নদীত ঘঁৰিয়াল আছে !
ক্ৰমশঃ

মলীৰ চিন্তা

বেচেৰা মলী গৰু পোৱালিটোৰে পথ হেৰুৱাইছে । তাইৰ মাকক দূৰৰ খুটি এটা বান্ধি থৈছে । সেয়েহে পোৱালিটোৰ ওচৰলৈ যাব নোৱাৰে । তাইক মাকৰ ওচৰলৈ নিৰাপদে যোৱাত সহায় কৰি দিব পাৰিবানে ? মনত ৰাখিবা, পোৱালিটোৰে লাঠি লৈ থকা দুষ্ট মানুহজনৰ ওচৰৰে যাব নোৱাৰিব । সি তাইক আঘাত কৰিব পাৰে!





উৎফুল্লিত জেকী

জেকীয়ে অতি আনন্দমনে সৰু ভায়েক জোন্‌টিৰ লগত খেলা কৰি আছে। তুমি সেই ছবিখনত ৰং দি আৰু বেচি দেখিবলৈ ধুনীয়া কৰি নোতোলা কিয়?

(উত্তৰ ৬৬ পৃষ্ঠাত)

গোপনে থকা উট

এই ছবিখন বহুদূৰ ভ্ৰমণ কৰি অহাৰ পিছত জিৰনি লৈ থকা উটৰ নিচিনা নহয়নে? তুমি ভালদৰে চালে দেখিবা এই ছবিখনৰ ভিতৰত বহুতো জন্তু লুকাই আছে। ছবিখনৰ ভিতৰত কি কি জন্তু আছে তুমি কব পাৰিবানে?

বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

বিজয়ী বাক্য

আঃ ! কি যে ধুনীয়া পুতলা ।
পশু হলেও বান্দৰ মোৰ খেলৰ লগৰীয়া ।

অভিনন্দন

ডিচেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজয়ী

নৱকিশোৰ বৰা
নগাওঁ, অসম

খেলিমেলি ধেমালিৰ উত্তৰ (৬৪পৃষ্ঠা)

(৬৪পৃষ্ঠা)

মলীৰ চিন্তা

গোপনে থকা উট

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

JUNIOR CHANDAMAMA

SPECIALLY DESIGNED FOR CHILDREN BELOW 9 YEARS

Good news parents and teachers!

We are happy to introduce **JUNIOR CHANDAMAMA,** a new magazine for your tiny tots.

From April 2003 onwards, **JUNIOR CHANDAMAMA** will entertain your tiny tots month after month with many pages of fun and learning.

This magazine will present a package of contests, activities, and puzzles specially designed for children up to the age of 9.

The magazine will endeavour to impart both global and traditional Indian values to children through little stories and activities.

At Rs. 10 per copy, and an annual subscription at Rs. 120, **JUNIOR CHANDAMAMA** promises to be easy on your monthly budgets, too!

As a pre-launch discount offer, an annual subscription of **JUNIOR CHANDAMAMA** will be offered to you at Rs.100/- instead of Rs.120/- for a limited period only.

We hope you will avail this offer.

Those interested can write to us with your name and address for a free sample copy of the introductory issue of **JUNIOR CHANDAMAMA.**



CHANDAMAMA (Assamese) FEBRUARY 2003
Regd. with Registrar of Newspaper for India No. 30278/76
Registered No. TN/PMG(CCR)-588/03-05
Licensed to post without prepayment No. 369/03-05
Foreign - WPP. No. 370/03-05